মার্চ 2003 Rs. 10/-

চান্দমামা



PARLE™

50P only

আগবঢ়োৱা হৈছে পাৰ্লে স্মুদিজ।
আচল স্মুদ কেণ্ডি

পাৰ্লেৰ নতুন কেণ্ডি - স্মুদিজৰ কেনে অপূৰ্ব সোৱাদ চোৱাঁ।
ইয়াক পোৱা যায় এটা ক্ৰীমি আৰু 5 টা জ্যুচি স্বাদ-গন্ধত। গতিকে আহাঁ, সোনকালেই ইয়াৰ জুতি লোৱাঁ।

smoothies

স্মুদ। আচল স্মুদ।

Juicee

অৰেঞ্জ

ষ্ট্ৰবেৰি | ব্লেক কাৰেণ্ট | গ্ৰীণ এপল্ | টেঙা মেংগো

Creamee

বাটাৰস্কচ

*M.R.P. Inclusive of all taxes for net weight 2.5gms.

Grey Worldwide PP.01.03 Asm

PIRANHA
ACTIVE
CADET HX
YANKEE
ROBO COP
HERO
Heroes start early.
Ride, race, take a tumble or even take a fall.
Because it's never too early to be a hero.
HERO CYCLES

বৰ্ষ : ৩০ মাৰ্চ ২০০৩ সংখ্যা -৩

এই সংখ্যাত আছে

ভাৰতৰ পৌৰাণিক উপাখ্যান ২৬

ৰামসেনৰ নিৰ্ণয় (বেতাল কাহিনী) ১৯

মায়া সৰোবৰ ১৩

গণেশ ৪৫

এই মাহৰ বিশেষ আকৰ্ষণ

★ বিনামূল্যে পৰামৰ্শ...৮ ★ বুঢ়ীক সহায়...১১
★ মায়া সৰোবৰ-১২... ১৩ ★ ৰামসেনৰ নিৰ্ণয়
(বেতাল কাহিনী) ...১৯ ★ ইণ্ডিয়াস্কোপ...২৫
★ যিটো জন্তুৱে হাঁহে আৰু কান্দে ...২৬ ★ সংবাদ বিচিত্ৰা...৩৩
★ সোণৰ কণী...৩০ ★ গছৰ ওপৰত দেৱী... ৩৪
★ অৰুণাচল প্ৰদেশৰ লোককথা...৩৮ ★ ভাৰতৰ বিষয়ে
জানিলোৱা...৪৪ ★ গণেশ ... ৪৫ ★ ভাৰতৰ পৰিচিত
ঠাই...১০ ★ উপকাৰী... ৫১ ★ বেপাৰীৰ দায়িত্ব...৫৫
★ মিস্কিনৰ সৌভাগ্য... ৫২ ★ উত্তৰ কি কি ?...৫৭
★ অজেয় গৰুড়...৬০ ★ খেলিমেলি ধেমালি...
৬৪ ★ ফটো নামকৰণ প্ৰতিযোগিতা ... ৬৬

SUBSCRIPTION

For USA and Canada
Single copy $2
Annual subscription $20
Remittances in favour of Chandamama India Ltd.
to
Subscription Division
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony,
Ekkatuthangal, Chennai - 600 097
E-mail : subscription@chandamama.org

বৰঙণি

বিমান ডাকযোগে পৃথিবীৰ সকলো দেশলৈ বাৰটা সংখ্যা ৯০০ টকা
সাধাৰণ ডাকত ভাৰতৰ ভিতৰত বাৰটা সংখ্যা ১২০ টকা
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফট্ বা মণিঅৰ্ডাৰ যোগে 'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ নামত পঠাব লাগিব

এই আলোচনীখনত ঠাই সংৰক্ষিত কৰাৰ বাবে যোগাযোগ কৰক

চেন্নাই
ফোন : ০৪৪-২২৩১৩৬৩৭, ২২৩৪৭৩৯৯
e-mail : advertisements@chandamama.org

দিল্লী
মিচ মোনা ভাটীয়া
ফোন : ০১১-৬৫১৫১১১ / ৬৫৬৫৫১৩/৬৫৬৫৫১৬

মুম্বাই
মিঃ শকীল মোল্লা
মোবাইল : ৯৮২০৩-০২৮৮০
ফোন : ০২২-২৬৬১৫৯৯ / ২৬৬১৯৪৬/২৬৫৩০৫৭

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

সংস্থাপক
বি. নাগি ৰেড্ডি আৰু চক্ৰপাণি

পঢ়া অভ্যাস গঢ়ি তোলা

সৰু ল'ৰা-ছোৱালীবোৰে ডাঙৰে কোৱা গল্প শুনিবলৈ ভাল পায় । ঘৰত আইতাকে সৰু ল'ৰা ছোৱালীক গল্প কোৱাটো এটা নিয়মিত কাম । তাৰ পাছত সৰু লৰা-ছোৱালীয়ে পঢ়িবলৈ গল্পৰ কিতাপ পালে, যেতিয়া আইতাক বা ডাঙৰ কোনো নাথাকে । প্ৰত্যেক দেশতে, প্ৰত্যেক ভাষাতে সৰু লৰা ছোৱালীৰ কিতাপ আছে । তাত শিশু সাহিত্যৰ উন্নতি আলোচন কৰা হয় । ভাৰতবৰ্ষৰ দৰে বিশাল দেশতো কিতাপ ছপা, লিখা আৰু ৰছনা কৰা হয় । ইয়াত বহুত পঢুৱৈও আছে যিসকলে সেইবোৰ পঢ়ি জ্ঞান অৰ্জন কৰাৰ লগে লগে নিজক ব্যস্ত ৰাখে । যিয়েই নহওক প্ৰত্যেক শিশুৱে পোৱাকৈ ইয়াত যথেষ্ট পৰিমানৰ কিতাপ নাই ।

উদাহৰণ স্বৰূপে চিংগাপুৰৰ কথাকেই কব পাৰি যত কৃতকাৰ্য্যতাৰে অভিনৱ পন্থা লোৱা হৈছে । যেনে-“পঢ়াৰ আচঁনি”। সপ্তাহত এবাৰ বা দুবাৰ স্বেচ্ছাসেৱীৰ দল ঘৰলৈ গৈ ল'ৰা-ছোৱালীক কিতাপ পঢ়াই । তাত পঢ়াৰ কেন্দ্ৰ আছে যত ল'ৰা-ছোৱালীক পঢ়া অভ্যাস গঢ়ি তোলাত সহায় কৰে । এই কেন্দ্ৰবোৰ স্বেচ্ছাসেৱীৰ দ্বাৰা চালিত হয় । ল'ৰা ছোৱালীবোৰে নিয়মিত ভাৱে সেই পাঠদান কেন্দ্ৰলৈ আহে। তাত কিছুমান পুথিভঁৰাল আছে যিয়ে জাতি বা আঞ্চলিক লাইব্ৰেৰীৰ কাম কৰে । পৰিয়ালৰ সকলোৱে এইবোৰ পঢ়িব পাৰে । মুঠৰ ওপৰত যিয়েই নহওক কিতাপে ল'ৰা-ছোৱালীক আগুৱাই যোৱাত সহায় কৰে ।

ভাৰতবৰ্ষৰ বহু ৰাজ্যত পুথিভঁড়ালৰ আন্দোলন গাঢ়ি উঠিছে । সেই কাৰণে পঢ়া অভ্যাসটো কমাই দিয়াতো উচিত নহয় । কিতাপ মানেই পঢ়িবলৈ । কথাতে কয় “পঢ়া কাৰ্য্যই এজন প্ৰকৃত মানৱ গঢ়ি তোলে ”।

সম্পাদক : বিশ্বম

Visit us at : http://www.chandamama.org

হিৰোজ অফ ইণ্ডিয়া কুইজত যোগদান কৰা আৰু অভূতপূৰ্ব পুৰস্কাৰ লাভ কৰা

হিৰোজ অফ ইণ্ডিয়া - ১৮

আটাইবোৰ শুদ্ধ উত্তৰ দিওতাৰ ভিতৰত তিনিজনক বাইচাইকেল পুৰস্কাৰ দিয়া হব।

আটাইবোৰ শুদ্ধ উত্তৰ দিওতাৰ ভিতৰত তিনিজনক বাইচাইকেল পুৰস্কাৰ দিয়া হব। *

1 ১৯০৫ চনত মই ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভাপতি আছিলো। মই ভাৰতীয় সেৱক সংঘ স্থাপন কৰিছিলো। মই কোন?

----

2 মই ১৯১৮ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ ৩৪ তম অধিবেশনৰ সভাপতিত্ব কৰিছিলো। ১৯২৪ চনত মই এম.এচ.এনিৰ সৈতে এটা নতুন পাৰ্টি গঠন কৰিছিলো। মোৰ নাম কি?

----

3 বৃটিছ সৈন্যৰ দ্বাৰা হোৱা কেৰেলা ৰাজ্য আক্ৰমনক মই কৃতকাৰ্য্যতাৰে বাধা দিছিলো। মোক কেৰেলাৰ সিংহ বুলি কোৱা হয়। তুমি মোক নাজানা নেকি?

----

4 মই ভাৰতীয় প্ৰশাসনীয় সেৱাৰ চাৰিজন ভাৰতীয়ৰ ভিতৰত প্ৰথম যোগ্যজন আছিলো। মই ভাৰতীয় জাতীয়তাবাদৰ জনক আছিলো। মোৰ নাম কি?

----

5 ১৯২১ চনত মই আইনগত অভ্যাস এৰি দিছিলো, আৰু ১৯২৩ চনত স্বৰাজদল গঠন কৰিছিলো। তুমি মোক জানানে নাজানা?

প্ৰতিটো প্ৰশ্নৰ তলত থকা খালী ঠাইত স্পষ্টকৈ উত্তৰ লিখিবা। এই পাঁচজনৰ ভিতৰত তোমাৰ ভাল লগা খেলৰ হিৰো কোনজন আৰু কিয় ভাল লাগে। মোৰ ভাল লগা খেলৰ হিৰো হ'ল...এই বিষয়ে ১০টা শব্দ লিখা।

....

....

প্ৰতিযোগীৰ নাম..

বয়স..............................শ্ৰেণী..............................

ঠিকনা..

পিন...............................ফোন...............................

প্ৰতিযোগীৰ চহী..

দেউতাক/মাকৰ চহী...

এই পৃষ্ঠাটো ফালি তলৰ ঠিকনালৈ পঠাবা

Heroes of India Quiz - 18
Chandamama India limited
No 82, Defence Officers Colony
Ekkatuthangal, Chennai-600097.

২০০৩ চনৰ ৫ এপ্ৰিল আগতে পোৱাকৈ উত্তৰ পঠাবা।

তোমালৈ পুৰস্কাৰ আনিছে

HERO CYCLES

নিয়মাৱলী:

১.এই প্ৰতিযোগিতা ৮-১৪ বছৰ বয়সৰ শিশুৰ বাবেহে।

২.সকলো ভাষাৰ প্ৰতিযোগীৰ ভিতৰৰ পৰা ৩ জন বিজয়ী প্ৰতিযোগী বাচনি কৰা হব। বিজয়ী প্ৰতিযোগীয়ে উপযুক্ত চাইজৰ বাইচাইকেল পাব। যদি শুদ্ধ উত্তৰ দিয়া প্ৰতিযোগীৰ সংখ্যা বেচি হয়, তেতিয়াহলে মোৰ ভাল লগা হিৰোৰ বৰ্ণনাৰ ওপৰত নিৰ্ভৰ কৰি বিজয়ী প্ৰতিযোগী বাচনি কৰা হব।

৩.বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত।

৪.এই সম্পৰ্কে কোনো চিঠি পত্ৰ আদান প্ৰদান কৰা নহব।

৫.সকলো বিজয়ী প্ৰতিযোগীকে ডাকযোগে জনোৱা হব।

Statement about Ownership of CHANDAMAMA (Assamese)
Rule 8 (Form VI), Newspaper (Central) Rules, 1956

1. Place of Publication	82 Defence Officers Colony Ekkatuthangal Chennai-600 097
2. Periodicity of Publication	MONTHLY 1st of each calendar month
3. Printer's Name Nationality Address	B. VISWANATHA REDDI INDIAN 82 Defence Officers Colony Ekkatuthangal Chennai-600 097
4. Publisher's Name Nationality Address	B. VISWANATHA REDDI INDIAN 82 Defence Officers Colony Ekkatuthangal Chennai-600 097
5. Editor's Name Nationality Address	B. VISWANATHA REDDI (Viswam) INDIAN 82 Defence Officers Colony Ekkatuthangal Chennai-600 097
6. Name and Address of individuals who own the paper	Chandamama India Ltd. Board of Directors: 1. P. Sudhir Rao 2. Vinod Sethi 3. B. Viswanatha Reddi 82 Defence Officers Colony Ekkatuthangal Chennai-600 097

*I, **B. Viswanatha Reddi,** do hereby declare that the particulars given above are true to the best of my knowledge and belief.*

1st March 2003 (Sd.) B. VISWANATHA REDDI
Publisher



বিনামূল্যে পৰামৰ্শ

সদাশিৱৰ কাৰণে তেওঁৰ মাক-দেউতাকে বহুতো ধন সম্পত্তি এৰি থৈ গৈছে। সেয়েহে তেওঁ পত্নী আৰু সন্তানৰ সৈতে আৰামেৰে দিন কটাব পাৰিছে।

যেতিয়াই কোনো জটিল সমস্যাৰ উদ্ভৱ হৈছিল গাওঁবুঢ়াৰ সৈতে সকলো লোক তেওঁৰ ওচৰলৈ আহি পৰামৰ্শ বিচাৰিছিল। গোটেই কথাটো জানি লোৱাৰ পাছত তেওঁ ইয়াৰ উপায় দিছিল। এইদৰে তেওঁ কিমান মানুহক যে সহায় কৰিছিল।

এনে মানুহবোৰৰ ভিতৰত সুৰদাসো এজন আছিল। সুৰদাসে ব্যৱসায় কৰিছিল। এবাৰ তেওঁৰ ধানৰ বস্তাবোৰ পানীত তিতি গৈছিল। তেওঁ কান্দি-কান্দি সদাশিৱৰ ওচৰলৈ গ'ল। সদাশিৱে তেওঁক কলে, "চিত্ৰপুৰৰ মানুহবোৰে উখুৱা চাউল খায়। সেইবোৰ তাতে বিক্ৰী কৰি দিয়া।"

সদাশিৱৰ পৰামৰ্শ মতে কাম কৰোতে সুৰদাসৰ এশ টকা লাভ হ'ল। আন এবাৰ সুৰদাসে এজন ধনী মানুহৰ কাৰণে হীৰাৰ হাৰ বনাইছিল। কিন্তু মানুহজনৰ হাৰডাল পছন্দ নোহোৱাত তেওঁক ওভতাই দিলে। তেওঁ এই কথা সদাশিৱক কোৱাত সদাশিৱে এইবুলি পৰামৰ্শ দিলে, "ৰত্নপুৰৰ জমিদাৰৰ নতুন নতুন ধৰণৰ হাৰ গোটোৱাতো এটা চখ। তেওঁ তোমাৰ হাৰডাল অকল কিনাই নহয়, তেওঁ তোমাক ভাল পুৰস্কাৰো দিব।" সদাশিৱৰ উপদেশ মতে কাম কৰি তেওঁ সেইবাৰ দুহেজাৰ টকা লাভ পালে।

এদিন বিছ বছৰীয়া এজন অনাথ যুৱক সুৰদাসৰ ঘৰলৈ আশ্ৰয় বিচাৰি আহিছিল। তেওঁৰ নাম আছিল চন্দ্ৰ। কিন্তু মানুহে কয়

শিৱানন্দ

যে চন্দ্র এজন ঠগবাজ ল'ৰা । এনেয়েও তেওঁক এজন কামকৰা মানুহৰ আৱশ্যক, তথাপি যুৱকজনক ৰাখিবলৈ সুৰদাসৰ ইতস্ততঃ লাগিছিল । তেওঁ গৈ সদাশিৱৰ উপদেশ বিচাৰিলে । সদাশিৱে কলে, "কোনো মানুহে জন্মতে বদমাচ হৈ জন্মগ্ৰহণ নকৰে । তুমি তাক বিশ্বাস কৰিলে সিও তোমাৰ বিশ্বাসৰ পাত্ৰ হব ।"

সুৰদাসে চন্দ্ৰক কামত ৰাখিলে । কিন্তু চন্দ্ৰই এদিন দুহেজাৰ টকা চুৰি কৰি লৈ ঘৰৰ পৰা পলাই গ'ল ।

সুৰদাসে খঙতে উগ্ৰমূৰ্ত্তি ধৰি সদাশিৱৰ ওচৰলৈ আহি কলে, "তুমি কোৱা কাৰণেহে মই চন্দ্ৰক কামত ৰাখিছিলো । ইয়াৰ কাৰণে মই দুহেজাৰ টকা হেৰুৱাব লগা হ'ল । তুমি মোক ইয়াৰ ক্ষতি-পূৰণ দিব লাগিব ।"

তেতিয়া সদাশিৱেও ৰাগ কৰি কলে, "মোৰ কাম পৰামৰ্শ দিয়াহে । ইয়াৰ ফল তোমাৰ আচৰণৰ ওপৰতহে নিৰ্ভৰ কৰিব । যদি তুমি সঁচাকৈয়ে তাক বিশ্বাস কৰিছিলা, তেতিয়াহলে সি তোমাক ঠগিব নোৱাৰে ।"

"মই ভাবিছিলো তুমি মোক উচিত পৰামৰ্শ দিবা । কিন্তু তুমি মোক ভুল পৰামৰ্শ দি মোৰ দুহেজাৰ টকা লোকচান কৰিলা । তুমি ইয়াৰ ক্ষতি-পূৰণ দিব লাগিব । নহলে মই গাওঁবুঢ়াৰ ওচৰত বিচাৰ দিম, "সুৰদাসে কলে । সদাশিৱে কিন্তু তেওঁৰ কথাত গুৰুত্বই নিদিলে । তাৰ পিছত কথা গৈ গাওঁবুঢ়াৰ ওচৰ পালে ।

কথাটোনো কি শেষত গাওঁবুঢ়াইয়ো বুজিব পাৰিলে । যদি সুৰদাসৰ কথা বিশ্বাস কৰি তেওঁৰ পক্ষ লোৱা হয় তেতিয়াহলে সদাশিৱে আৰু ভৱিষ্যতলৈ বিনামূল্যে কাকো উপদেশ নিদিব । সেয়েহে তেওঁ

নিজে গৈ সদাশিৱক লগ ধৰি কলে, 'সুৰদাসক যদি ইমানতে এটা শিক্ষা দিয়া নহয় তেনেহলে গাঁৱত বেয়া মানুহৰ সংখ্যা বাঢ়ি যাব । তুমিয়েই ইয়াৰ এটা পথ বিচাৰি উলিয়া ।"

সদাশিৱে ইয়াৰ উপায় দিলে । সেই উপায় মতে পিছদিনা গাওঁবুঢ়াই গাঁৱৰ সকলো লোকেক তেওঁৰ ঘৰলৈ মাতিলে আৰু সুৰদাসৰ গোচৰৰ বিৱৰণ দি কলে, "সুৰদাসৰ অভিযোগ সঁচা যেন লাগিছে । কিন্তু সুৰদাসে কব লাগিব তেওঁ কিয় সদাশিৱৰ পৰামৰ্শ লব লগা হল?"

তেতিয়া সুৰদাসে কলে, "ইয়াৰ আগতেও সদাশিৱে দুবাৰ পৰামৰ্শ দিছিল । তাৰদ্বাৰা মোৰ লাভ হৈছিল । সেয়েহে মই তেওঁৰ কথা বিশ্বাস কৰিলো ।"

"তেনেহলে সদাশিৱে তোমাক দুহেজাৰ টকা ক্ষতি-পূৰণ দিবই লাগিব । কিন্তু ইয়াৰ আগতে সদাশিৱৰ পৰামৰ্শ মতে কাম কৰোতে যি লাভ হৈছিল তাৰ হিচাব কৰা আৰু সেই টকা সদাশিৱক দি দিয়া ।" গাওঁবুঢ়াই গোচৰৰ ৰায় শুনাই কলে ।

এই কথা শুনি তাত উপস্থিত থকা সকলোৱে হাঁহিবলৈ ধৰিলে । কিন্তু গাওঁবুঢ়াই গম্ভীৰ স্বৰে কলে, "ভৱিষ্যতলৈ সদাশিৱৰ পৰামৰ্শ মতে যি লোকৰে লাভ হব তাৰে এভাগ সদাশিৱক দিব লাগিব । লোকচান হলে তেওঁ নিজৰ ভাগ আপোনালোকক দিব। এই ব্যৱস্থা মোৰ সন্মুখতে হব লাগিব । যদি এইটো কৰা নহয়, তেনেহলে মই তেওঁক দায়ী কৰিব নোৱাৰিম ।"

আগতে মানুহবোৰে সদাশিৱৰ পৰা বিনামূল্যে পৰামৰ্শ লৈছিল । কিন্তু এতিয়া তেওঁলোকে ইয়াৰ কাৰণে মূল্য দিব লাগিব। গাঁৱৰ মানুহবোৰে সুৰদাসক গালি পাৰিবলৈ ধৰিলে । সদাশিৱে কলে, "স্বাৰ্থপৰ লোকক পৰামৰ্শ দিলে বিপদত পৰিব লাগে। সুৰদাসে একপ্ৰকাৰ মোৰ উপকাৰেই কৰিলে। আগলৈ কোনো মানুহকে মই বিনামূল্যে উপদেশ নিদিওঁ। এতিয়াৰ পৰা আৰু আৰামেৰে সদাশিৱে দিন কটাবলৈ ধৰিলে ।



বুঢ়ীক সহায়

শ্ৰীপুৰৰ পৰা ৰামপুৰ গৈ পাওঁতে উদয়ৰ ৰাতি হৈ গৈছিল । বাটে পথে কোনো মানুহ নাছিল । তেওঁ ভাবি পোৱা নাছিল ৰাতিটো ক'ত কটাব । তেওঁৰ খুব ভোকও লাগিছিল । উদয়ে এঘৰ মানুহৰ দুৱাৰত টুকুৰীয়ালে ।

কিছুসময় পাছত এগৰাকী বুঢ়ীয়ে দুৱাৰখন খুলি দিলে । তেওঁ সোধাৰ আগতেই উদয়ে নিজৰ পৰিচয় দি কলে, "আইতা, মই শ্ৰীপুৰৰ পৰা আহিছো । মোৰ নাম উদয় । চাকৰি বিচাৰি ইয়ালৈ আহিছো । মোৰ খুব ভোক লাগিছে ।" বুঢ়ীয়ে উদয়ক খুব মনোযোগেৰে চালে আৰু কলে, "ভিতৰলৈ আহা ।"

বুঢ়ীয়ে পিৰা এখন দেখুৱাই উদয়ক বহিবলৈ দিলে । কিছুসময় পিছত কাঁহি এখনত খোৱাবস্তু দি খাবলৈ কলে । তেওঁ তাৰাতাৰিকৈ খালে আৰু কলে, "আইতা, ৰাতিটো মই ইয়াতেই থাকিম আৰু ৰাতিপুৱাই গুচি যাম ।" তাৰ পাছত তেওঁ ঘৰৰ চাৰিওফালে চকু ফুৰাই চালে আৰু কলে, "ঘৰত আন কোনো নাই নেকি ?"

"মোৰ ল'ৰা আৰু বোৱাৰী ওচৰৰে গাওঁখনলৈ ফুৰিব গৈছে । কালি আবেলিমানে উভতি আহিব ।" বুঢ়ীয়ে কলে ।

শুবলৈ যোৱাৰ আগতে উদয়ে বুঢ়ীৰ আগত নিজৰ বিষয়ে কবলৈ ধৰিলে, "মোৰ মা দেউতা দুয়ো জীয়াই আছে । মোৰ দেউতাৰ অভ্যাস ভাল নহয়, সেইকাৰণে যি অলপ মাটি বাৰী আছিল সকলোবোৰ বিক্ৰী কৰিব লগা হৈছে । মই চাকৰি বিচাৰি ইয়ালৈ আহি পালো" তাৰ পাছত মাটিতেই বিচনাখন পাৰি উদয়ে শুলে । উদয়ৰ কিন্তু টোপনি অহা নাছিল । এইসময়তে বুঢ়ীয়ে সোনৰ শিকলিডাল আলমাৰীত থৈ তলা মাৰিলে আৰু চাবী তুলিৰ তলত খৈ দিলে ।

উদয়ে এই আটাইবোৰ দেখিলে । তেওঁ ভাবিব ধৰিলে সোনৰ শিকলিডাল লৈ পলাই গলে কিছুদিনলৈ অন্তত ভোকৰ পৰা ৰক্ষা পৰিব পাৰিম । যদি এইডালৰ মূল্য অধিক হয় তেন্তে দেউতাৰ টকাবোৰ উভতায় দিম আৰু খেতি কৰিবলৈ এডোখৰ মাটি কিনিম ।

কিন্তু পিছ মুহূৰ্ত্ততে তেওঁ ভাবিব ধৰিলে যে মই বেয়া কাম কৰিবলৈ ওলাইছো । যিজনী বুঢ়ীয়ে

মোক ভোকত খাবলৈ দিছে, ৰাতি থাকিবলৈ আশ্ৰয় দিছে, সেই গৰাকীৰ লগত মই এনেকুৱা বেয়া আচৰণ কেনেকৈ কৰিব পাৰো। ছি: মই এনেকুৱা অকৃতজ্ঞনে। এনেদৰে বহুসময় তেওঁ চিন্তা কৰিব ধৰিলে। অৱশেষত তেওঁ সিদ্ধান্ত কৰিলে যে এনেকুৱা সুযোগ মই হাতৰ পৰা যাব নিদিও।

উদয়ে কিছুসময় টোপনিমৰাৰ ভাও জুৰিলে। তাৰ পাছত মনে মনে উঠিলে। হঠাৎ তেওঁ খিৰীকিৰ বাহিৰত কাৰোবাৰ ফুচফুচনি শুনিবলৈ পালে। এজনে আন এজতনক কৈছে, "সাবধানে থাকিবা। বুঢ়ীৰ ওচৰত মাত্ৰ সোনৰ শিকলিয়েই নহয়, আৰু বহুত গহনা আছে। দৰকাৰ হলে আমি বুঢ়ীৰ মুখ কাপোৰেৰে সোপা দিম আৰু গোটেই ঘৰ লণ্ডভণ্ড কৰিম।"

সিহঁতৰ কথাবোৰ শুনি উদয়ৰ নিজৰ ওপৰতে ধিক্কাৰ জন্মিল কাৰণ তেওঁও সেই একেই কামেই কৰিব ওলাইছিল। তেওঁ মনে মনে গৈ বুঢ়ীক জগালে আৰু চোৰৰ কথাবোৰ বুঢ়ীক কলে আৰু কি কৰিব সুধিলে।

ইয়াৰ পাছত উদয়ে দুৱাৰখন খুলি দিলে আৰু বুঢ়ীৰ লগত বাহিৰলৈ আহিলে। চোৰ দুজনে দুৱাৰ খোলা দেখা পাই আনন্দ পালে, ভাবিলে ভিতৰত কোনো নাই। যেতিয়াই চোৰদুজনে ঘৰৰ ভিতৰত সোমাই গ'ল, উদয়ে বাহিৰৰ পৰা দুৱাৰত তলা লগাই দিলে। এতিয়া দুয়োজন চোৰ ঘৰৰ ভিতৰত বন্দী হৈ গ'ল।

বুঢ়ীয়ে জোৰে জোৰে চোৰ চোৰ বুলি চিঞৰিব ধৰিলে। ওচৰ পাজৰৰ মানুহবোৰ দৌৰি আহিলে আৰু তলা খুলি দুয়োজন চোৰক ধৰিলে আৰু দুয়োকে জৰিৰে বান্ধিলে। সকলোৱে উদয়ৰ চতুৰালিৰ প্ৰশংসা কৰিলে। দুয়োজন চোৰকে গাওঁবুঢ়াৰ ওচৰলৈ লৈ যোৱা হ'ল।

তেতিয়া উদয়ে বুঢ়ীৰ ভৰি চুই প্ৰনাম কৰি কলে, "আইতা, মোকো গাওঁবুঢ়াৰ ওচৰলৈ লৈ বলা কাৰণ আজি চোৰ নাহিলে মইয়ে তোমাৰ গহনাবোৰ চুৰি কৰিলোহেতেন।"

বুঢ়ীয়ে মৰমেৰে উদয়ৰ পিঠিত থপৰিয়াই কলে, "মোৰ অকলশৰীয়া অৱস্থাই তোমাক চোৰ কৰিবলৈ সুযোগ দিছিল। তুমি নিজৰ ভুল বুজি পাইছা আৰু চোৰৰ হাতৰ পৰা মোৰ বহুমূলীয়া অলংকাৰবোৰ ৰক্ষা কৰিলা। সেয়েহে মই তোমাক ক্ষমা কৰিছো। মোৰ লৰা উভতি অহাৰ পাছত তুমি তাৰ লগত পথাৰত কাম কৰি তাক সহায় কৰিবা। তুমিও আমাৰ লগতে থাকিবা।"

উদয়ে আকৌ এবাৰ কৃতজ্ঞতাৰে বুঢ়ীৰ ভৰি চুই প্ৰণাম কৰিলে।



মায়া সৰোবৰ

12

(জয়শীল ঘোৰ শত্ৰু কৃপাণজিতক মৃত্যুবৃক্ষই বধ কৰাৰ পিছত জয়শীল আৰু সিদ্ধসাধকে মায়া সৰোবৰৰ সন্ধানত ওলাই গ'ল । সৰ্পনখেও তেওঁলোকক অনুসৰণ কৰিলে । এটা গুহাৰ ভিতৰৰ পৰা বাহিৰলৈ ওলাই অহা নৰবানৰক জলগ্ৰহে শূৰেৰে মেৰিয়াই ধৰিলে । তিনিওজনে এই দৃশ্য দেখিবলৈ পালে ।) ইয়াৰ পাছত-

জলগ্ৰহক দেখিবলৈ পাই জয়শীল আৰু সিদ্ধসাধকৰ লগতে সৰ্পনখো আচৰিত হ'ল। সৰ্পনখে জলঅশ্বৰ পৰা নামিব খুজিও থমকি ৰৈ কলে, "জয়শীল আৰু সিদ্ধসাধক! জলগ্ৰহ নামৰ এই পানীত ফুৰা হাতীটো অতি শক্তিশালী মকৰকেতুৰ বাহন । তেওঁ মায়াসৰোবৰেশ্বৰৰ দ্বাৰা 'শ্ৰেষ্ঠ সেৱক' উপাধি লাভ কৰিছে ।"

সিদ্ধসাধকে "জয় মহাকাল !" বুলি চিঞৰ মাৰি শূলপাত দাঙি লৈ কলে, "ঐ জলৰ প্ৰাণী, মকৰকেতু কিমান শক্তিশালী আমাৰ জনা আছে ! মই বাহন কৰিব খোজা নৰবানৰক যদি জলগ্ৰহে বধ কৰিবলৈ চেষ্টা কৰে, তেন্তে ময়েই জলগ্ৰহক প্ৰথমতে মাৰি পেলাম, তাৰ পাছত তাৰ গৰাকীকো মহাকালৰ ওচৰত বলি দিম ।" এইবুলি কৈ সিদ্ধসাধকে গুহাৰ ফালে দৌৰি গ'ল ।

"সিদ্ধসাধক ! ইমান অধৈৰ্য নহবা ।" এইবুলি কৈ জয়শীলে তেওঁক বাধা দিলে । তাৰ পাছত সিদ্ধসাধকৰ সন্মুখলৈ আহি

সৰু সৰু মাতেৰে কলে, “সিদ্ধসাধক ! আমি মায়া সৰোবৰলৈ যোৱাৰ কাৰণে এক সুন্দৰ সুযোগ লাভ কৰাৰ পথত । মকৰকেতুৰ লগত ভালৰি বোলোৱা কথা কৈ ৰজা কনকাক্ষৰ পুত্ৰ-কন্যাক অপহৰণ কৰি নিয়া মায়া সৰোবৰেশ্বৰৰ ওচৰলৈ যি কোনো প্ৰকাৰ যাব লাগিব ।”

সিদ্ধসাধকে শূলপাত তললৈ নমাই থৈ কলে, “মকৰকেতু যে এতিয়াও জীৱিত আছে সেই কথাৰ কি সত্যতা আছে ? জলগ্ৰহে নিজৰ গৰাকীক হেৰুৱাই নিজ ইচ্ছামতে এই পাহাৰ আৰু জঙ্ঘলত ঘূৰি ফুৰিছে কিজানি ।”

জয়শীল আৰু সিদ্ধসাধকে এইদৰে আলোচনা কৰি থাকোতে সেইফালে জলগ্ৰহ আৰু নৰবানৰৰ মাজত তয়াময়া যুঁজ লাগিছিল । হাতীৰ শূৰৰপৰা নিজকেএৰুৱাই লৈ নৰবানৰে হাতীৰ ওপৰত জঁপিয়াই পৰিলে, তাৰ পাছত হাতীটোক প্ৰহাৰ কৰিবলৈ ধৰিলে । জলগ্ৰহে নৰবানৰক শূৰেৰে মেৰিয়াই লৈ মাটিত পেলাই দিলে তাৰ পাছত ভৰিৰে গচকি মাৰিবলৈ চেষ্টা কৰিলে ।

“সিদ্ধসাধক, সেয়া চোৱা ! গুহাৰ ওপৰত থকা শিলটোত এটা-দুটা নহয় একেবাৰে চাৰিটা প্ৰাণীয়ে থিয় হৈ এই ভয়ঙ্কৰ যুদ্ধ চাই আছে ।” জয়শীলে কলে ।

সিদ্ধসাধকে গুহাৰ ওপৰত থকা শিলটোলৈ অতি মনোযোগেৰে চালে । জয়শীলে কোৱাৰ দৰে তাত চাৰিজন মানুহ আছিল । সেই চাৰিজনৰ ভিতৰত সাধকে কেৱল মকৰকেতুকহে চিনিব পাৰিলে । কিন্তু সেইফালে থকা দুজন মানুহে জয়শীলক চিনিব পাৰিলে । তাৰ ভিতৰত এজনে অতি আচৰিত হৈ আৰু আনজনে ভয়ে ভয়ে জয়শীলৰ ফালে চাই থাকিলে ।

মকৰকেতুৱে সকলোৰে ফালে এবাৰ দৃষ্টি নিক্ষেপ কৰি দেহ ছাল আৰি লোৱা চুটি ক'লা দাড়ি থকা হীৰা খচিত সোণৰ মুঠিৰ লাঠি লৈ থকা ব্যক্তিজনক কলে, “বৈদ্যদেৱ! জলঅশ্বৰ ওপৰত উঠি থকা যুৱকজন জয়শীল । মাটিৰ ওপৰত থিয় হৈ থকা ব্যক্তিজন সিদ্ধসাধক । তৃতীয়জনকতো আপুনি জানেই, মোৰ এজন অনুচৰ আৰু এই সৰ্পেশ্বৰৰ ভায়েক ।”

“মই ভবাই নাছিলো যে মই মোৰ

জীৱন কালত মোৰ ডাঙৰ ভাইক দেখিবলৈ পাম।" এইবুলি কৈ সৰ্পেশ্বৰে আগবাঢ়ি যাব খুজিছিল, এনেতে মকৰকেতুৱে ক্ৰুদ্ধভাৱে তেওঁৰ হাতত ধৰি পিছলৈ টানি আনিলে।

"সৰ্পেশ্বৰ ! তোমাৰ মূৰ ঠিকে আছেতো? জয়শীল আৰু সিদ্ধসাধক, দুয়ো আমাৰ শত্ৰু। তথাপি মায়া সৰোবৰেশ্বৰৰ আদেশ অনুসাৰে আমি তেওঁলোকৰ লগত মিত্ৰতা কৰাৰ ভাও ধৰিব লাগিব । ইয়াৰ বাবে আমি এক পৰিকল্পনা তৈয়াৰ কৰিব লাগিব ।" এইবুলি মকৰকেতুৱে ধমক দিলে তাৰ পাছত বৈদ্যাৰ ফালে চাই কলে, "বৈদ্যদেৱ, এতিয়ালৈকে আপুনি এই বিষয়ে আপোনাৰ মতামত প্ৰকাশ কৰা নাই।" বৈদ্যদেৱে পাহাৰৰ তলৰ ফালে আচৰিত ধৰণে চাই কলে, "মকৰকেতু, অনুমান হয় তুমি পথাৰত হৈ থকা ঘটনাৰ প্ৰতি মনোযোগ দিয়া নাই । জয়শীলৰ তৰোৱালৰ আঘাতত তোমাৰ জলগ্ৰহৰ প্ৰাণ যাব লগা অৱস্থা হৈছে ।"

এই কথা শুনি মকৰকেতুৱে খৰখেদাকৈ পাহাৰৰ পৰা নামিবলৈ ধৰিলে । তেওঁৰ লগে লগে বাকী মানুহবোৰো নামি আহিল । তাৰ ভিতৰত এজন পচিশ বছৰীয়া যুৱকো আছিল যাৰ সোঁভৰিখন খোৰা । তেওঁ এডাল লাঠিত ভৰ দি লাহে লাহে পাহাৰৰ পৰা নামিবলৈ ধৰিলে ।

নৰবানৰে জলগ্ৰহৰ আক্ৰমণৰ ভয়ত পলাবলৈ চেষ্টা কৰিছিল । সাধকে শূলপাত

দাণ্ডি লৈ পথাৰৰ ফালে আগবাঢ়ি গ'ল । জয়শীলে তেওঁক সচেতন কৰি দি কলে, "সিদ্ধসাধক, এই সময়ত আমি মকৰকেতুৰ পিছে পিছে আহি থকা আৰু তিনিজন ব্যক্তিৰ সন্মুখীন হব লাগিব । সেয়েহে তুমি অতি সাৱধানে থাকিবা ।

"জয়শীল ! আমি এই জগতৰ কোনো ব্যক্তিকে ভয় কৰাৰ আৱশ্যক নাই । সাক্ষাত মহাকালৰ অনুচৰৰ দ্বাৰা প্ৰাপ্ত মহিম-মণ্ডিত তৰোৱাল তোমাৰ হাতত আছে । এতিয়া মোৰ শূলৰ শক্তিৰ বৰ্ণনা দিয়াৰ কোনো আৱশ্যক নাই ।" সিদ্ধসাধকে কলে ।

তেওঁৰ পিছে পিছে গৈ থকা সৰ্পনখে চিঞৰি উঠিল "প্ৰভুসকল, আপোনালোকে নৰবানৰক বধ কৰক, জলগ্ৰহৰ কোনো ক্ষতি নকৰিব, কাৰণ তাৰ গৰাকী অত্যন্ত পৌৰুষ-

বান আৰু মহাসত্ব ব্যক্তি।

"তুমি যাক মহাসত্ব বুলি কৈছা, তাক মই এতিয়াই শূলেৰে হানি খুচি শেষ কৰি দিম, বুজিছা! এতিয়া মনে মনে থাকা।" এইবুলি দাঁত কৰচি সিদ্ধসাধকে চিঞৰি উঠিল, "জয় মহাকাল!" তাৰ পাছত তেওঁ আগলৈ দৌৰি গ'ল।

সিদ্ধসাধকে যুদ্ধকৰি থকা জন্তুদুটাৰ ফালে আগবাঢ়ি আহি ওচৰ পাওঁ পাওঁ হওঁতেই জয়শীলে ঘোঁৰাত উঠি সেইখিনিত উপস্থিত হ'ল। নৰবানৰ মাটিত চিত হৈ পৰি আছিল আৰু জলগ্ৰহৰ শূৰডাল আঘাত কৰিলে। আঘাট পাই জলগ্ৰহে তাক শূৰেৰে মেৰিয়াই ধৰিবলৈ গৈছিল। তেতিয়া জয়শীলে তৰোৱালেৰে জলগ্ৰহে ডাঙৰকৈ চিঞৰি উঠিল আৰু জয়শীলক আক্ৰমণ কৰিবলৈ খেদি গ'ল। জয়শীলে তৎক্ষণাত জলঅশ্বক পিছলৈ খেলি দি জলগ্ৰহৰ ওপৰত জঁপিয়াই পৰিল।

তেতিয়া জলগ্ৰহে নৰবানৰক এৰি জয়শীলক শূৰেৰে টানি পেলাই দিবলৈ চেষ্টা কৰিলে। জয়শীলে বাওঁহাতেৰে শূৰডালত ধৰি সোঁহাতেৰে জলগ্ৰহৰ কুমত তৰোৱালেৰে আঘাত কৰিলে।

এনেতে মকৰকেতু দৌৰি আহি তাত উপস্থিত হ'ল। মকৰকেতুক দেখি জয়শীলে কলে, "মকৰকেতু, প্ৰথমতে মই তোমাৰ জলগ্ৰহক সংহাৰ কৰি তাৰ পাছতহে তোমাক ধৰিম। তোমাৰ কাৰণেই মই আৰু সিদ্ধসাধকে অকাৰণতে এই ঘোৰ অৰণ্যৰ মাজত যাতনা ভোগিব লগা হৈছে।"

"জয়শীল! তোমাৰ পূণ্য হব। তুমি জলগ্ৰহক বধ নকৰিবা। এতিয়াৰ পৰা আমি বন্ধুত্ব স্থাপন কৰিলো। তুমি মায়া সৰোবৰলৈ



যাব খুজিছা নহয় ? মই ইয়াৰ পথ দেখুৱাই দিম ।" মকৰকেতুৱে অতি বিনয়েৰে কলে।

এই কথা শুনি জয়শীলে তৎক্ষণাত জলগ্ৰহৰ পিঠিৰ পৰা নামি আহি কলে, "মই কেৱল মায়া সৰোবৰলৈ যোৱাৰ পথৰ বিষয়ে জানিব বিচৰা নাই, মই ৰজা কনকাক্ষৰ বন্দী কৰি ৰখা পুত্ৰ-কন্যাক বন্ধন মুক্ত কৰিব বিচাৰিছো । এই সুবিধাতে তুমি কোনো গুহাত বন্দীকৰি ৰাখি তোমাৰ লগৰীয়া-সকলৰ কাৰোবাৰ দ্বাৰা তোমাৰ প্ৰভু মায়া সৰোবৰক খবৰ দিয়াতো কি উচিত হব?"

মকৰকেতুৱে ইয়াৰ উত্তৰ দিব খুজিছিল, এনেতে সিদ্ধসাধকে চিঞৰি উঠিল, "জয় মহাকাল কি, জয় !" তাৰ পাছত আকৌ কলে, "জয়শীল, তুমি যি ভাবিছা, সেইটোৱে ঠিক । সি যাতে পলাই যাব নোৱাৰে সেই নিমিত্তে তাৰ কণ্ঠ আধা কাটি তাক হাত -ভৰি বান্ধি গুহাৰ ভিতৰত পেলাই থোৱা । তাৰ তিনিও বন্ধুকে পিছত নৰবানৰৰ আহাৰ কৰিব লাগিব । ইয়াৰ পিছত তেওঁ নৰবানৰৰ দেহটো হাতেৰে পৰীক্ষা কৰি চাই উঠি কলে । এতিয়াও ই মৰা নাই । জলগ্ৰহৰ প্ৰহাৰত মাথোঁ মুৰ্চা গৈছে। ঐ জলপক্ষী সৰ্পনখ । তুমি তৎক্ষণাত নদীলৈ গৈ এখন কাপোৰ তিয়াই পানী লৈ আহা ।" সিদ্ধসাধকে সৰ্পনখক আদেশ দিলে ।

মকৰকেতুৱে কোনো কথা নোকোৱাকৈ চাৰিওফালে চাই আছিল । ইয়াকে দেখি সৰ্পনখে অলপ দূৰত থকা নদীৰ ফাললৈ

গ'ল। ইয়াৰ পাছত সিদ্ধসাধকে মকৰকেতুৰ ওচৰলৈ গৈ কলে, "মকৰকেতু, তুমি তোমাৰ লগত আৰু তিনিজন মানুহক লৈ আহিছা !" তাৰ পাছত বাকী তিনিজনৰ ফালে চাই ব্যঙ্গভাবে কলে, "এইটো এক আচৰিত কথা যে তুমি তোমাৰ সৈতে কাঠৰ ভৰি থকা খোৰা এজনকো লৈ আহিছা !"

"সিদ্ধসাধক ! এইজন ব্যক্তিৰ আমাৰ দৰে মায়া সৰোবৰত জন্ম হোৱা নাই । তোমালোকৰ নিচিনা মাটিত জন্ম হৈছে । এওঁও তোমালোকৰ ৰজা কনকাক্ষৰ পুত্ৰ-কন্যাকে বিচাৰি আহিছিল আৰু এটা চিতা বাঘৰ হাতত নিজৰ ভৰি এখন হেৰুৱাইছে। এওঁৰ নাম মঙ্গলবৰ্মা ।" মকৰকেতুৱে কলে।

"আঃ ! এওঁ হিৰণ্যপুৰৰ সেনাপতিৰ পুত্ৰ মঙ্গলবৰ্মা ! জয়শীলৰ সৈতে স্পৰ্দ্ধা কৰি বাঘৰ সৈতে যুদ্ধ কৰিবলৈ গৈ পলাই অহা

কাপুৰুষ !” তাৰ পিছত আচৰিত হৈ নিজৰ সঙ্গীক কলে, “জয়শীল, তুমি এওঁক এতিয়াও চিনি পোৱা নাই ? এই কাঠৰ ভৰি লগোৱা মানুহজন হ’ল মঙ্গলবৰ্মা !”

জয়শীলে ইয়াৰ আগতে মঙ্গলবৰ্মাক চিনি পাইছিল । কিন্তু মকৰকেতুৱে যাক “বৈদ্যদেৱ” বুলি মাতিছিল সেই ব্যক্তিজনক চিনিব পাৰি আচৰিত হৈ মাতিলে, “দেৱশৰ্মা !” কিন্তু তেওঁৰ মুখৰ পৰা কথা নোলাল । তেতিয়া বৈদ্যদেৱৰ নামৰ ব্যক্তিজনে জয়শীলক এটা ইঙ্গিত দিলে, ইয়াৰ অৰ্থ হ’ল, তুমি এনে অভিনয় কৰা যেন মোক তুমি চিনি পোৱা নাই ।

ইতিমধ্যে সৰ্পনখে এখন কাপোৰ পানীত তিয়াই লৈ আহি সিদ্ধসাধকক দিলে । সাধকে কাপোৰখন আঁতি নৰবানৰৰ মূৰত পানী দি জোৰে চিঞৰি কলে, “নৰবানৰ ! তুমি জীয়াই আছা ! উঠা ! এই জগতত সিদ্ধসাধকৰ কথা কেতিয়াও মিছা হব নোৱাৰে ।”

অলপ পিছতে নৰবানৰে চকু মেলি চালে। চাৰিওফালে চকু ফুৰাই চাই কিছু দূৰত নদীৰ পাৰত শূৰ দাঙি থকা জলগ্ৰহক দেখি ভয়ঙ্কৰ ভাবে গৰ্জন কৰি উঠিল আৰু উঠিবলৈ চেষ্টা কৰিলে ।

সিদ্ধসাধকে তাৰ কান্ধত ধৰি ৰাখি কলে, “নৰবানৰ ! শান্ত হোৱা ! মই তোমাক প্ৰাণ দান দিছো । এতিয়াৰ পৰা তুমি মোৰ সেৱক। এতিয়া তুমি মোৰ বাহন ! নহয় নে ?” সিদ্ধসাধকে শূলপাত নৰবানৰৰ কান্ধত লগাই দিলে ।

নৰবানৰে ক্ৰোধিত হৈ থিয় হ’ল আৰু চকু ঘোপাকৰি দাঁত কৰছি সিদ্ধসাধকৰ ওপৰত জঁপিয়াই পৰিবলৈ খুজিলে । সাধকে নিজকে বচাই লৈ নৰবানৰৰ মূৰত হাতেৰে জোৰে প্ৰহাৰ কৰিলে । সিদ্ধসাধকৰ প্ৰহাৰত নৰবানৰ চিত হৈ পৰি গ’ল । তাৰ পাছত এটা কেঁকনি মাৰি উঠিল । অলপ পিছত নৰবানৰে পিছলৈ ঘূৰি পলাবলৈ চেষ্টা কৰিও ৰৈ গ’ল । তাৰ পিছত সিদ্ধসাধকৰ চৰণত মূৰটো থৈ হাতদুখন ওপৰলৈ তুলিলে । সিদ্ধসাধকে আনন্দতে হাঁহিবলৈ ধৰিলে । **(আগলৈ)**

ৰজা বিক্ৰম আৰু বেতালৰ নতুন কাহিনী

ৰামসেনৰ নিৰ্ণয়

দৃঢ়প্ৰতিজ্ঞ ৰজা বিক্ৰমাদিত্য পুনৰ গছজোপাৰ ওচৰলৈ গ'ল । গছৰ পৰা মৰাশটো নমাই আনি কান্ধত পেলাই ললে আৰু শ্মশানৰ পিনে যাব ধৰিলে । তেতিয়া শটোৰ ভিতৰত থকা বেতালে কলে, "ৰাজন, তুমি দেখা নাইনে, বিষাক্তসাপ, ফেঁচা, শিয়ালেৰে শ্মশানখন ভৰি আছে । সিহঁতৰ ভয়ানক চিঞৰবোৰ শুনা নাইনে । তথাপিও, তুমি আগুৱাই গৈ আছা । কোৱাচোন, তুমিনো এনেকুৱা কিয় কৰিছা? তোমাৰ এই অৱস্থা দেখিলে তোমাৰ শত্ৰুৰো তোমালৈ দয়া উপজিব । মই জানিব খোজো ইমান কষ্ট কৰি তুমি কি

পোৱা ? যিমান দূৰ মই জানো, এতিয়ালৈ তুমি তোমাৰ যত্নত সফল হব পৰা নাই । বহুদিন আগতে ৰামসেন নামৰ এজন ৰজা আছিল । তেওঁৰ ৰাজ্যত দুখন মূখ্য নগৰ আছিল । দুয়োখন নগৰতে তেওঁ দুজন অধিকাৰী নিযুক্ত কৰিছিল । তেওঁ নিজে জানিব বিচাৰিছিল যে অধিকাৰী দুজনে কিদৰে নিজৰ দায়িত্ব পালন কৰে । ছদ্মবেশত তেওঁ তালৈ গ'ল । তাত তেওঁ বহুতো বিপদৰ সন্মুখীন হব লগা হ'ল । তেওঁ নিজৰ অনুভৱৰ ওপৰত অনুচিত নিৰ্ণয় ললে । সেই ৰজাৰ কাহিনী তোমাক শুনাম । নিজৰ ভুল শুধৰাবলৈ চেষ্টা কৰিবা ।" তাৰ পাছত বেতাল ৰজাক কাহিনী শুনাবলৈ ধৰিলে ।

ৰামসেন প্ৰমোদ দেশৰ শাসক আছিল । তেওঁ সদায় সাধাৰণ মানুহৰ কষ্ট জানিবলৈ চেষ্টা কৰিছিল । তেওঁলোকৰ দুখ দূৰ্গতি দূৰ কৰিবলৈ চেষ্টা কৰিছিল । ৰাইজে আৱশ্যকীয় সা-সুবিধা পাইছে নে নাই সেইটো জানিবৰ বাবে তেওঁ গুপ্তচৰ নিয়োগ কৰিছিল । কেতিয়াবা তেওঁ নিজেই ছদ্মবেশত সেই নগৰলৈ গৈ বিচাৰ কৰিছিল।

এবাৰ তেওঁ ছদ্মবেশত ভাগ্যপুৰীলৈ গ'ল। তাত তেওঁ প্ৰত্যেকজন নাগৰিকৰ মুখৰ পৰা ভাগ্যপুৰীৰ অধিকাৰী দিব্যদত্তৰ খুব প্ৰসংশা শুনিলে । প্ৰসংশা শুনি শুনি তেওঁৰ খুব দুখ লাগিল এই কাৰণেই যে ৰাইজে ৰজাক পাহৰি গৈছে আৰু দিব্যদত্তক প্ৰসংশা কৰিব ধৰিছে । ৰাজধানীলৈদ উলতি আহি তেওঁ কিছুমান গুপ্তচৰক মাতিলে আৰু তেওঁলোকক কলে, "মই ভাবো ভাগ্যপুৰীৰ অধিকাৰী দিব্যদত্তই প্ৰসংশা পাবৰ বাবে ৰাজধনৰ প্ৰয়োগ কৰিছে । তোমালোকে গৈ তেওঁৰ দোষবোৰ মোক জনোৱা ।"

গুপ্তচৰ একসপ্তাহ পাছত উলতি আহি ৰজাক নিবেদন কৰিলে, "প্ৰভু দিব্যদত্ত প্ৰভূভক্ত পৰায়ণ । তেওঁ যি কাম কৰে, আপোনাৰ নামতেই কৰে । তেওঁ জানিছিল ভাল কামৰ বাবে সকলো প্ৰকাৰৰ সহনশীলতাৰ দৰকাৰ । তেওঁৰ এই উত্তম গুণৰ বাবেই তেওঁ লোকপ্ৰিয় । সেয়েহে ৰাইজে তেওঁৰ ইমান প্ৰসংশা কৰে । তেওঁ ৰাজধনৰ এটা পইচাৰো দুব্যৱহাৰ নকৰে ।"

তেওঁলোকৰ কথা শুনাৰ পাছতো ৰামসেনৰ বিশ্বাস হোৱা নাছিল । তেওঁৰ সন্দেহ হৈছিল দিব্যদত্তই গুপ্তচৰ সকলক

ভেটি দিয়া বুলি । তেওঁ ছদ্মবেশত ভাগ্যপুৰীলৈ গৈ দিব্যদত্তৰ পৰীক্ষা লব খুজিলে ।

ৰজাই তাত এটা জিৰণীঘৰত থাকিলে । সিদিনাখন গধুলি জিৰণীঘৰৰ মালিকক ৰজাই কলে, "মহোদয়, মোৰ লগত দহহাজাৰ টকা আছে । আজি ৰাতি মই নগৰত ফুৰি ইয়াৰ সুন্দৰতা চাবলৈ মন গৈছে। গতিকেমই টকাখিনি ইয়াতে এৰিথৈ যাব পাৰিমনে ?"

"দিব্যদত্ত এই নগৰৰ অধিকাৰী । ইয়াত চোৰৰ কাৰণে ভয় কৰিব লগা একো নাই । টকাখিনি এৰিথৈও যাব পাৰে, মোৰ তাত দিও যাব পাৰে বা আপুনি লগতো নিব পাৰে," মালিকে কলে ।



ৰামসেনে টকাৰ বেগখন নিজৰ লগতলৈ নগৰ ফুৰিবলৈ গ'ল । নগৰৰ গলিয়ে গলিয়ে বিজুলি বাতিৰ পোহৰ যেন দিনহে । তেওঁ ভাবিলে পৰীক্ষা কৰিবলৈ আৰু বহুত বাকী ।

ৰামসেনে টকাৰ বেগখন নগৰৰ এটা বাটৰ কাষত ৰাখিলে আৰু তেওঁ আগবাঢ়ি যাব ধৰিলে । এনেতে কোনোবাই কলে, "ৰবা ।"

ৰামসেন আচৰিত হৈ উঠিলে । তেতিয়া তেওঁৰ সন্মুখত এজন সৈনিক আহি সুধিলে, "এই বেগখন তুমি ইয়াত এৰিথৈ কিয় যাব খুজিছা ? ইয়াত কোনো বিষাক্ত বস্তুটো নাই ?

"মোক শুধিবলৈ তুমি কোন ? মই যি মন যায় কৰিম । ৰামসেন খঙ দেখুৱাই কলে।

"চোৰা, মই এজন সৈনিক । মনে মনে মই চাই থাকো কতো একো বিপদ হোৱা নাইতো । বিপদৰ পৰা মানুহক বচোৱা মোৰ কাম ।" সৈনিকজনে কলে ।

ৰামসেনে দৌৰিব ধৰিলে । সৈনিকজনো তেওঁৰ পিছে পিছে দৌৰিব ধৰিলে । এঠাইত ৰজাৰ ভৰি এখন পিছলি গ'ল । পৰিযোৱাৰ ফলত তেওঁ মুৰত আঘাত পালে । তেওঁ অচেতন হৈ পৰিল ।

সৈনিকে জোৰেৰে হুইচেল বজালে । চাৰিওফালৰ পৰা কেবাজনো সৈনিক দৌৰি আহিল । ৰামসেনক বেজৰ ওচৰলৈ লৈ গ'ল।

ৰজাক চোৱাৰ পাছত বেজজনে কলে, বেছিকে আঘাত পাইছে । তেওঁ ৰজাক চিকিৎসা কৰিলে ।

চেতনা ঘূৰি অহাৰ পাছত ৰামসেনে কলে, "প্ৰতিজন সাধাৰণ নাগৰিকৰ

প্ৰাণৰক্ষা কৰাৰ সুবিধা এই নগৰত আছে। যি দিব্যদত্তই এই সুব্যৱস্থা কৰিছে, তেওঁৰ দৰ্শন নকৰাকৈ মই নাযাও।"

সৈনিকৰ পৰা যেতিয়া দিব্যদত্তই গোটেই কথাবোৰ গম পালে তেওঁ ৰামসেনক লগ কৰিব আহিলে। তেওঁ ৰামসেনক সুধিলে বাটৰ কাষত টকাৰ বেগখন ৰাখি থোৱাৰ উদ্দেশ্য কি? তেতিয়া ৰজাই কলে, "মই মহাৰাজ ৰামসেন। এই নগৰত তোমাৰ প্ৰসংশা চাবলৈ আহিছিলো। প্ৰজাৰ সুখৰ বাবে তুমি যিমান কাম কৰিছা, এইবোৰ দেখি মোৰ খুব ভাল লাগিছে। মই তোমাক ধন্যবাদ জনাইছো।"

দিব্যদও লগে লগে আঠুকাঢ়ি কলে, "প্ৰভূ, মোৰ পৰীক্ষা লবলৈ আহি আপুনি নিজে ইমান কষ্ট পালে।

ৰামসেনে আকৌ এবাৰ দিব্যদত্তক অভিনন্দন জনাই ৰাজধানীলৈ উভতি আহিলে। ৰাজধানীলৈ দিব্যদত্তক নিমন্ত্ৰন জনাই তেওঁৰ খুব আদৰ-সৎকাৰ কৰিলে। এইবোৰ দেখি আন অধিকাৰীজনৰো নিজৰ নগৰখন সজাই পৰাই ৰজাৰ সম্মান পাবলৈ মন কৰিলে। সৌভাগ্যপুৰৰ অধিকাৰী ভব্যবৰ্মাই বিচাৰিছিল সোনকালে সেই সম্মানৰ অধিকাৰী হবলৈ। ভব্যবৰ্মা চৌখিন আছিল। জনসাধাৰণৰ কল্যানৰ ক্ষেত্ৰত তেওঁৰ কোনো লেন দেন নাছিল। কাৰণ তেওঁ মহাৰাণীৰ সম্পৰ্কীয় ব্যক্তি আছিল। সেই কাৰণেই ৰজাই তেওঁক সৌভাগ্যপুৰৰ অধিকাৰী নিযুক্ত কৰিছিল।

ভব্যবৰ্মাই মহাৰাণীক লগ ধৰি কলে, "মোৰ নগৰৰ লোকসকল সুখী। সকলো

প্ৰকাৰৰ সুবিধা তেওঁলোকে পাইছে । কিন্তু দুখৰ বিষয় এইটোৱে যে আদৰ সন্মান পালে দিব্যদওই, মই নহয় । আপুনি মহাৰাজক কওঁক এবাৰ মোৰ নগৰখন ফুৰি আহিবলৈ।

ৰাণীয়ে এই কথা ৰজাক কলে । তেতিয়া ৰজাই কলে, "ঠিকআছে, মই একসপ্তাহ-মান পাছত তালৈ যাম । আগতেই জনালে তেওঁ সাৱধান হৈ থাকিব আৰু সকলো সুব্যৱস্থা কৰিব । এসপ্তাহ পাছত ৰজাই এজন সেৱকক ছদ্মবেশত তালৈ পঠালে । আৰু ৰজাই এজন সাধাৰণ নাগৰিকৰ বেশত তেওঁৰ পাছে পাছে গ'ল। সেই সেৱক ছদ্মবেশীজনকে ভব্যবৰ্মাই মহাৰাজ বুলি ভাবি খুব আদৰ যত্ন কৰিলে।

সেই ছদ্মবেশীজনে ৰাতি নগৰত ফুৰি এচুকত-টকাৰ বেগখন থৈ দিলে । তাকেদেখি সৈনিকে তেওঁক অচেতন কৰি বেজৰ ওচৰলৈ লৈ গ'ল ।

সেই সময়তে ৰজা ৰামসেন জ্বৰ হোৱা ভাও জুৰি বেজৰ ওচৰলৈ গ'ল । তাত তেওঁৰ কোনো খবৰেই নললে । সকলোৱে সেই ছদ্মবেশীজনৰ শুশ্ৰূষাতহে ব্যস্ত । তেতিয়া এজন সৈনিক ৰামসেনৰ ওচৰলৈ আহি কলে, "এই নগৰত যোগ্য চিকিৎসকৰ অভাৱ । মাহিলী দৰমহাও সময়ত নোপোৱা বাবে সকলোৱে ভাগ্যপুৰীলৈ গুচি গৈছে । যোগ্য চিকিৎসকৰ চিকিৎসা মাত্ৰ ভব্যবৰ্মাক হে মিলে । নিজৰ প্ৰানলৈ মৰম যদি আছে তুমি ভাগ্যপুৰীলৈ যোৱা ।"

ৰামসেন ৰাজধানীলৈ উলতি আহি ৰাণীৰ

আগত সকলো কথা কলে । ৰজাই কলে, "এতিয়া তুমিও বুজিব পাৰিছা ভব্যবৰ্মা নগৰ প্ৰসাশনৰ বাবে যোগ্য ব্যক্তি নহয় । তোমাৰ আত্মীয় বাবে তুমি এই কথা আগতেই জনাইছা ।"

ৰাণী আচৰিত হৈ কলে, "মইনো এনেকুৱা কিয় কৰিম । আপুনি মোক কৈ থাকোতে কোনোবা দাসীয়ে শুনি ভব্যবৰ্মাক কৈ দিছে । ৰাণীয়ে দোষীক শাস্তি দিম বুলি কলে ।

ৰামসেনে আপত্তি কৰি কলে, "দেৱী, এই কাম নকৰিবা । ভব্যবৰ্মা তোমাৰ আত্মীয়, সেয়েহে তেওঁক ভাল কৰি তোমাৰ প্ৰসংশা পাবলৈ কোনোবা দাসীয়ে এনেকুৱা কাম কৰিছে ।"

এই ঘটনাৰ একসপ্তাহ পাছত ৰজা

ৰামসেনে দিব্যদত্তক সৌভাগ্যপুৰৰ অধিকাৰী আৰু ভব্যবৰ্মাক ভাগ্যপুৰীৰ অধিকাৰী নিযুক্ত কৰিলে।

বেতালে এই কাহিনী শুনোৱাৰ পাছত কলে, ৰাজন, ৰামসেনে যি নিয়োগ কৰিলে, তাত এই কথা স্পষ্ট ওলাই পাৰিছে যে ৰজাই ভব্যবৰ্মা আৰু দিব্যদত্তৰ শক্তি আৰু সামৰ্থ্যৰ উচিত মুল্যাঙ্কন কৰা নাই। প্ৰশাসনত দক্ষ্য, লোকপ্ৰিয়, দিব্যদত্তক সৌভাগ্যপুৰৰ অধিকাৰী বনোৱাতো আৰু জনসাধাৰণৰ কল্যান নকৰা চৌখিন ভব্যবৰ্মাক ভাগ্যপুৰীৰ অধিকাৰী নিযুক্ত কৰাটো ৰামসেনৰ অবিবেকপূৰ্ণ আৰু অনুচিত নিৰ্ণয় নহয়নে ? মোৰ সন্দেহৰ সমাধান জানিও যদি তুমি মনে মনে থাকা তেন্তে তোমাৰ মূৰটো কাটি টুকুৰা-টুকুৰ কৰিম।"

বিক্ৰমাদিত্যই তেতিয়া কলে, "ৰজা ৰামসেনে প্ৰধানত ভাগ্যপুৰী আৰু সৌভাগ্যপুৰীৰ জনসাধাৰণৰ কথা চিন্তা কৰিয়েই এই নিৰ্ণয় লৈছে। বহুদিন ধৰি ভাগ্যপুৰৰ ৰাইজে দিব্যদত্তৰ শাসন কালত সুখ-সুবিধা ভোগ কৰিছে। তেওঁলোকে নতুন অধিকাৰী ভব্যবৰ্মাৰ বিলাসম্পূৰ্ণ জীৱন আৰু প্ৰজাৰ সমস্যাৰ প্ৰতি তেওঁৰ অনাশক্তি বহুদিন সহ্য কৰি থাকিব নোৱাৰিব। ৰজাৰ আগত এই সম্পৰ্কে ৰাইজো গোচৰ তৰিব। তেতিয়া ভব্যবৰ্মাক সেই পদৰ পৰা বহিষ্কাৰ কৰিব সুবিধা হব। এতিয়া আহিল সৌভাগ্য-পুৰীৰ কথা। নতুন অধিকাৰী দিব্যদত্তই জনতাৰ কল্যানৰ বাবে বহুত চেষ্টা কৰিব আৰু সৌভাগ্যপুৰীক ভাগ্যপুৰীৰ সমান বৈভৱশালী কৰি তুলিব। এইকথা চিন্তা কৰিয়ে ৰজা ৰামসেনে এই নিৰ্ণয় কৰিছে। সেয়েহে তেওঁৰ নিৰ্ণয়ক অবিবেকপূৰ্ণ আৰু অনুচিত কোৱাতো ন্যায়সঙ্গত নহব।"

ৰজাৰ মৌনতাভঙ্গ কৰাত সফল হৈ বেতালে শটোবে দৈতে অদৃশ্য হৈ গ'ল আৰু গছৰ ডালত ওলমি থাকিল।

চুলি দান

তিৰুপতি দেখিছানে ? এই মন্দিৰৰ চহৰখনে আচৰিত সৌন্দৰ্য্যৰ দৃশ্য উপহাৰ দিছে । অসংখ্য চুলিকটা তপামূৰৰ মানুহে তিৰুপতিলৈ নতুনকৈ অহা মানুহক আচৰিত কৰে । এই ধমনিষ্ঠাবান তপামূৰৰ মতা মানুহ, তিৰোতা আৰু লৰা-ছোৱালীবোৰ অন্ধ্ৰপ্ৰদেশ আৰু তামিলনাডুৰ বিভিন্ন ঠাইৰ পৰা আহি তেওঁলোকৰ চুলি খুৰাই তিৰুপতিৰ তিৰুমালাৰ ভগৱান ভেঙ্কেতেশ্বৰক পূজা কৰে । তামিলনাডুৰ বহুসম্প্ৰদায়ৰ প্ৰতিটো নবজাতক শিশুক এবছৰ হোৱাৰ আগতে তিৰুপতি বা আন মন্দিৰলৈ নি চুলি খুৰাই দিয়া হয় । এতিয়া কথা হ'ল কিয় ভগবানে আনৰ মূৰৰ চুলি বিচাৰে ? ভক্তসকলে বিশ্বাস কৰে যে এইটো এটা ত্যাগ কৰাৰ শক্তি যি নেকি প্ৰকৃত দান । এই চুলি সদায় প্ৰত্যেকজন মতা, তিৰোতা আৰু শিশুৰ গৌৰবৰ বস্তু--আৰু সেয়ে ভগবানৰ কাৰণে ত্যাগ কৰা আৱশ্যক !

জালুকৰ বিষয়ে জানা

গোলাপ, জেচ্‌মিন, গেন্ধাই আৰু ৰঙাজবা ফুল-মাত্ৰ এইবোৰেই ভগবানক দিয়া বস্তু নহয় । তুমি জালুকো দিব পাৰা ! হয়, জালুক! উত্তৰ কেৰেলাৰ কডুঙগালুৰ চহৰত থকা ভদ্ৰকালী বা দুৰ্গা দেৱীক ভক্তবিলাকে আন বস্তুৰ লগতে জালুকো দিয়ে । কালী গোসানীক কলা বুজায়, যিটো নেকি জালুকৰ ৰঙ । বহুবছৰলৈ বৈ যোৱা ডাঙৰ বসন্তৰ দাগবোৰ দেৱীয়ে প্ৰতিপালন কৰে বুলি বিশ্বাস ।

যিটো জন্তুৱে হাঁহে আৰু কান্দে

এজন ধাৰ্মিক গৃহস্থই এটা যজ্ঞ কৰিবলৈ ইচ্ছা কৰিছিল প্ৰচীন একুৰা জুই, যিয়ে তেওঁৰ জীৱনত কৃতকাৰ্য্যতা আৰু ধৰ্মনিৰপেক্ষতা আনিব পাৰে । এই কাৰ্য্যতো কৰিবলৈ মানৱতাৰ ফালৰ পৰা এটা ছাগলী দান কৰিবলৈ আৱশ্যক হয় ।

গৃহস্থজন এজন শিক্ষক আছিল । তেওঁ দুজন ছাত্ৰক এজন মাটিৰ মালিকৰ ঘৰলৈ যাব কলে, যিজন তেওঁৰ প্ৰাক্তন ছাত্ৰ আছিল আৰু লগতে এটা ছাগলীৰ কথাও কব দিলে । ছাত্ৰ দুজনে তাকেই কৰিলে । সিহঁতে এটা স্বাস্থ্যবান ছাগলীলৈ উভটি আহিল ।

পিছদিনা ৰাতিপুৱাৰ পৰা যজ্ঞৰ যা-যোগাৰ আৰম্ভ হ'ল ।

"এতিয়া ল'ৰাহত, পাহাৰৰ নামনিত থকা হ্ৰদলৈ নি ছাগলীটো ভালদৰে ধুৱাই আনা । তাৰপাছত ফুলৰ মালাৰে সজাই আৰু কপালত ফোট দি ইয়ালৈ আনিবা ।" এইবুলি শিক্ষকজনে ছাত্ৰ দুজনক নিৰ্দেশ দিলে আৰু নিজে আন আৱশ্যকীয় শাস্ত্ৰীয় বিধানৰ কামত ব্যস্ত হৈ পৰিল ।

সেই ছাত্ৰদুজনে ছাগলীটো হ্ৰদলৈ নিছিল । ঠিক সেই সময়তে দুজন আন ছাত্ৰও সিহঁতৰ লগ লাগিছিল । সিহঁতে হ্ৰদৰ চাৰিওফালৰ জঙ্গলৰ পৰা ফুল চিঙি আনি এডাল মালা গাঠিলে । গা ধুওৱাৰ পাছত ছাগলীটো পাৰলৈ উঠাই আনি মালাডাল পিন্ধোৱাত এটা আচৰিত ঘটনা ঘটিছিল ; ছাগলীটোৱে হাঁহিছিল !

কেতিয়াবা কোনোবাই হঁহা ছাগলীৰ কথা



শুনিছানে ? ল'ৰাকেইজনে খুব ভয় খাইছিল। ছাগলীটোৱে চকু টেলেকা কৰি সিহঁতৰ ফালে চাইছিল । সেই চাৱনি সিহঁতৰ অসহনীয় লাগিছিল ।

ল'ৰাকেইজনে আকৌ কিবা অঘটন ঘটিব পাৰে বুলি সিদ্ধান্ত লবলৈ অসমৰ্থ হৈ ইটোৱে সিটোৱে মুখলৈ চাবলৈ ধৰিলে । তেতিয়া ছাগলীটোৱে কান্দিছিল ।

এজন ছাত্ৰ দৌৰিগৈ শিক্ষকজনক সিহঁতৰ অদ্ভুত অভিজ্ঞতাৰ বিষয়ে জনালে । "সৃষ্টিকৰ্তাই নিশ্চয় অতি উত্তম প্ৰাণী যোগাৰ কৰিছে ।" শিক্ষকজনে কৈছিল । তেওঁ দান কৰিবলৈ অনা ছাগলীটোৰ উপযুক্ততাৰ বিষয়ে নিশ্চত হব পৰা নাছিল । তেওঁ ছাত্ৰজনৰ লগত সেই ঠাইলৈ গ'ল ।



ছাগলীটোৱে শিক্ষকজনৰ পিনে একেথৰে চালে । ছাগলীটোৰ চকুযুৰিয়ে শান্তি প্ৰকাশ কৰিলে । পিছমুহূৰ্ততে এটা আশা নকৰা ঘটনা ঘটিলে । ছাগলীটোৱে ভয়াৰ্ত হৈ কৈছিল, "তুমি সঠিক অনুমানেই কৰিছা ।" মইও তোমাৰদৰে এজন গৃহস্থৰ শক্তি । মই এই ছাগলীটো পাইছো । এইটো নহয় যে মই প্ৰথম বাৰৰ বাবে এইটো কৰিছো । চাৰিশ নিৰানবৈবটা ছাগলী পাইছিলো, প্ৰত্যেকটো তোমাৰদৰে ধাৰ্মিক মানুহে দান কৰিছিল । তুমি জানানে কিয় মই ছাগলীৰ ঠাইত বাস কৰো বা ছাগলী হওঁ ?" সেইটোৱে শিক্ষকজনক সুধিলে ।

"নাজানো," শিক্ষকজনে ভয়তে কপিছিল । "মই নাজানো তুমি কোন ?"

"কাৰণ মই এজন সফল গৃহস্থ আছিলো যিয়ে এবাৰ এটা ছাগলী দান দিছিলো, যিটো কাম তুমি কৰিবলৈ ওলাইছা । এইটোৱে মোৰ কাৰ্য্য, যিটোৱে মোৰ ভাগ্য নিৰ্দ্ধাৰণ কৰিব । পাচশবাৰ মৰণৰ যাতনাৰ অভিজ্ঞতাৰ বাবে মই জগৰীয়া । এইবাৰ মোৰ শেষ পৰ্ব্ব । সেইকাৰণে মই হাঁহিছিলো-এই হাঁহিৰ পৰা সকাহ পাইছো" ছাগলীটোৱে এইদৰে বৰ্ণনা কৰিছিল ।

সেই কথা শুনি শিক্ষকজনে পুনৰাই কলে, "মই বুজি পাইছো কিয় তুমি হাঁহিছিলা । কিন্তু তুমি কিয় কান্দিছিলা ?"

"নিশ্চয় তুমি ইয়াৰ কাৰণ জানা ? ঠিক আছে, মই তোমাৰ ভাগ্যৰ কাৰণে কান্দিছো । তুমিও পাচশবাৰ মৃত্যুৰ পাছত কঠোৰ পৰীক্ষা ভোগ কৰিব লাগিব । তুমি

বুজি পাইছানে ? এতিয়া অনুগ্ৰহ কৰি ইয়াত লেহেম নকৰিবা । মোক সেই ধৰ্মীয় ঠাইলে যাব দিয়া । তুমি যিমান সোনকালে পাৰা সিমান সোনকালে মোৰ গ'লটো তোমাৰ কুঠাৰৰ তলত দিয়া । মই মোৰ পাপৰ পৰা উদাৰ ভাবে আগলৈ চাব বিচাৰো," ছাগলীটোৱে কৈছিল ।

শিক্ষকজনে কিন্তু দান কৰিবলৈ কৰা পৰিকল্পনা ত্যাগ কৰিছিল । "তুমি মুকলি-ভাৱে এই জঙ্ঘলত ঘূৰি ফুৰা । মই তোমাৰ জীৱন লোৱাৰ বাবে আগ্ৰহী নহয়," তেওঁ ছাগলীটোক কলে ।

"ওহ, নহয় !" ছাগলীটোৱে চিঞৰি উঠিছিল । "অনুগ্ৰহ কৰি মোক মাৰি পেলোৱা । মই মুক্তি পাব বিচাৰো । সম্ভৱত মই মানব হিচাপে জন্ম লৈ ছাগলী দান দিয়াৰ বিপৰীতে কিছু মূল্যবান কাম কৰিব পাৰো । গতিকে তুমি এই কামটো কৰিবলৈ পলম নকৰিবা ।

"নহয়, মই এইটো কেতিয়াও নকৰো," ক্ষিকশিদনে জোৰেৰে চিঞৰি উঠিছিল ।

"কিন্তু মই আজি অকপট ভাৱে কাৰ্য্য কৰিছো । যদি তুমি বধ নকৰা, মই বাঘৰ দ্বাৰা বধ হম," ছাগলীটোৱে কৈছিল ।

ইতিমধ্যে ধুমুহাৰ আৰম্ভনী হ'ল আৰু তৎক্ষণাত ভয়ানক ধুমুহা বতাহত হ্ৰদৰ চাৰিওফালে থকা গছবোৰ লৰি উঠিল । কিছুমান গছ ভয়ানক শব্দ কৰি ভাঙিছিল । শিক্ষক আৰু তেওঁৰ ছাত্ৰকেইজন এটা গুহাৰ ভিতৰত গৈ আশ্ৰয় লৈছিল । সিহঁতৰ চকুৰ সন্মুখতে বজ্ৰপাত পৰি ছাগলীটো মৰা সিহঁতে দেখিছিল ।

ধুমুহাৰ পিছত যেতিয়া তেওঁলোক গাওঁলৈ উভতি আহিছিল ছাত্ৰবোৰে শিক্ষকজনক সুধিছিল, "আমি আন এটা ছাগলী আনিমনেকি ?"

"কোনো দৰকাৰ নাই, মোৰ ল'ৰাহত । মই ছাগলী দান দিবলৈ নাযাওঁ । বিনা ছাগলী-দানে এই যজ্ঞ সম্পন্ন হব," শিক্ষকজনে কৈছিল ।

চুইংগামৰ পুনৰাগমন

দুবছৰ আগতে এক আইন পাছ কৰি চিঙ্গাপুৰত চুইংগাম বিক্ৰী কৰা নিষিদ্ধ কৰা হৈছিল। বৰ্তমানে সম্পূৰ্ণভাবে নহলেও এই নিষেধাজ্ঞা উঠাই লোৱা হৈছে।

এতিয়াৰ পৰা ডাক্তৰ আৰু দন্ত চিকিৎসকে অনুমোদন কৰা চেনি নথকা গাম ফাৰ্মাচীবোৰত বিক্ৰী কৰিব পাৰিব। কিছুমান মানুহে বিশ্বাস কৰে যে এই চুইংগামে মুখত এক বেয়া স্বাদ দি যাব!

চিঠিৰ অভিলেখ

বাতৰি কাকতবোৰৰ এক নিয়মিত শিতান হ'ল- সম্পাদকলৈ চিঠি। এই চিঠিবোৰ বাতৰি কাকতৰ পাঠকসকলে কাকতলৈ পঠিয়াই। অৱশ্যে চিঠিবোৰৰ বিষয়বস্তু বেলেগ বেলেগ। কিছুমানে বাতৰি কাকতত প্ৰকাশিত বাতৰিক লৈ চিঠি লিখে, কিছুমানে ভাল-বেয়া নিজৰ অভিজ্ঞতাৰ কথা প্ৰকাশ কৰি লিখে, কিছুমানে কোনো মানুহ বা সন্থাৰ কাম কাজৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰি চিঠি লিখে। কিছুমান বাতৰি কাকতত "অভিযোগ শিতান" থাকে। এই শিতানত মানুহৰ অভিযোগবোৰ প্ৰকাশ কৰা হয়, যাতে ইয়াক সুচিন্তিত ভাবে প্ৰতিকাৰ কৰিব পাৰি। সুভাষ আগৰৱালা নামৰ দিল্লীৰ এজন পাইকাৰী টেক্সটাইল ডিলাৰে বিভিন্ন বাতৰি কাকতত ১,২০০ খন চিঠি প্ৰকাশ কৰি 'গিনিজ বুক অফ ওৱৰ্ল্ড ৰেকৰ্ডচ'ত নিজৰ নামটো অন্তৰ্ভূক্ত কৰিববলৈ সক্ষম হৈছে।

সোণৰ কণী

পন্দৰীপুৰ গাঁৱত ধনীয়া নামৰ এজন খেতিয়ক আছিল । গোপাল আৰু গোবিন্দ নামৰ তেওঁৰ দুজন পুত্ৰ আছিল । তেওঁ দুয়োজন ল'ৰাকে বিয়া কৰাই দিছিল । ধনীয়াৰ ঘৰটো খুব ডাঙৰ আৰু বিশাল আছিল। সেয়েহে আটায়ে সেই ঘৰটোত মিলিজুলি থাকিছিল ।

ধনীয়াৰ চাৰিবিঘা মানে মাটি আছিল । তেওঁ বুঢ়াও হৈ আহিছিল । সেয়েহে খেতি বাতিৰ কাম কাজবোৰ দুয়োজন পুতেকক গটাই দিছিল । গোপাল ৰাতিপুৱাই উঠি খেতিৰ কামত লাগি গৈছিল । কিন্তু গোবিন্দৰ সপোন দেখাৰ অভ্যাস আছিল আৰু খুব দেৰিকৈ উঠিছিল ।

গোবিন্দৰ পত্নী ৰাধাই কিন্তু গিৰীয়েকৰ এই অভ্যাস একেবাৰে ভাল নাপাইছিল । তাই সদায় গিৰীয়েকক কৈছিল, "যেএতিয়াই দেখো, তুমি সপোনত বতাহতে প্ৰাসাদ বনাই থাকা। খেতি পথাৰলৈ গৈ তুমিটো ককায়েৰাক সহায় কৰিব পাৰা ।"

গোবিন্দৰ ওপৰত কিন্তু ঘৈনীয়েকৰ কথাৰ কোনো প্ৰভাৱ পৰা নাছিল । তেওঁ নিসঙ্কোচে কৈছিল, "চিন্তা কিয় কৰিছা ? কেতিয়াবা সোণৰ কণী পৰা হাঁহ মোৰ হাতত আহি যাব আৰু কোনো পৰিশ্ৰম নকৰাকৈয়ে লাখপতি হৈ যাম ।"

গোপাল আৰু তেওঁৰ পত্নী দুয়ো খুব ভাল স্বভাৱৰ আছিল । সেয়েহে গোবিন্দ বা তেওঁৰ কথাত কোনো মনোযোগ নিদিছিল । গোবিন্দৰ ওপৰত তেওঁলোকৰ কোনো অভিযোগো নাছিল ।

এইদৰেই দিনবোৰ পাৰ হৈছিল । এদিন ৰাতি হঠাৎ গোবিন্দৰ ঘৰত এজন অপৰিচিত লোক আহিল । বিচনাত শুই থকা গোবিন্দই উঠি তেওঁক সুধিলে, "তুমি কোন ? কাক বিচাৰি আহিছা ?"

"মোৰ নাম হৰি । ওচৰৰ গাওঁখনতে মই থাকো । এটা বিশেষ কামত আন এখন গাঁৱলৈ যাব ওলাইছিলো । বাটতে আন্ধাৰ হ'ল । এতিয়া তালৈ গৈ পোৱাতো অসম্ভৱ।

দ্বাৰকানাথ

দয়াকৰি আজি ৰাতিটো মোক ইয়াতে থাকিবলৈ দিয়ক। ৰাতিপুৱাই মই গুচি যাম।” এইবুলি হৰিয়ে বিনম্ৰ ভাবে কলে।

“ঠিক আছে। এই বাৰান্দাখনতে বিচনাৰ ব্যৱস্থা কৰি দিম। ৰাতিৰ আহাৰ খাই তুমি ইয়াতে শুৱা,” গোবিন্দই এইবুলি কৈ সকলো ব্যৱস্থা কৰি দিলে।

আহাৰ খাই যেতিয়া গোবিন্দই বাৰান্দাত থিয় হৈ আছিল তেতিয়া তেওঁ হৰিৰ হাতত এটা সোন বৰণীয়া কুকুৰা চৰাই দেখিবলৈ পালে। তেওঁ আচৰিত হৈ সুধিলে, “এইটো কি? এই কুকুৰা চৰাইটো দেখোন সোনৰ নিচিনা জিলিকিছে।”

হৰিয়ে হাঁহিমাৰি কলে, “এই কুকুৰাটো সঁচাকৈয়ে সোণৰ। ই সোণৰ কণী পাৰে।”

“তুমি কি কৈছা? কি এই কুকুৰাটোয়ে সোণৰ কণী দিয়ে? গোবিন্দই কলে।

হৰিয়ে তৎক্ষণাত কান্ধত ওলোমাই ৰখা মোনাখনৰ পৰা এটা জিলিকি থকা কণী উলিয়ালে আৰু তেওঁক দেখুৱাই কলে, “চাওঁক, এইটোৱে এই কুকুৰাটোৱে পাৰা সোণৰ কণী। এমাহত এবাৰ তাই এটাকৈ সোণৰ কণী পাৰে।”

“এই কুকুৰাজনী সঁচাকৈয়ে তোমাৰনে? এইটো লৈ তুমি ক'তো যাব ওলাইছিলা?” গোবিন্দই হৰিক প্ৰশ্নৰ ওপৰতে প্ৰশ্ন কৰিব ধৰিলে।

“এজন তান্ত্ৰিকে মোক এইটো দিছিল। কিন্তু ইয়াক খুৱাবৰ সামৰ্থ্য মোৰ নাই। সেয়েহে ওচৰৰ গাওঁখনত থকা মোৰ আত্মীয় এজনৰ তাত কুকুৰাটো বেচিব যাম। “হৰিয়ে দুখেৰে কলে। তেওঁৰ কথাত তেওঁৰ অসহায় অবস্থাৰ কথা প্ৰকাশ পাইছিল।

গোবিন্দই খুব নম্ৰভাৱে সুধিলে, “এই কুকুৰাটোক তুমি পেটভৰাই খুৱাব নোৱাৰা? কিয় ই মনি মুকুটা খায় নেকি?”

হৰিয়ে কিছুসময় ৰৈ কলে, “এনে কথা নহয়। আচলতে এইকুকুৰাটোৰ এক বিশেষ লক্ষণ আছে। এনেটো ই সাধাৰণ কণীয়ে পাৰে, কিন্তু নিজৰ মালিকৰ পথাৰৰ শস্য খালেহে ই মাহত এটা সোণৰ কণী পাৰে। সেই শস্য খাই খাই কণী সোণৰ হৈ যায়।

মইটো একেবাৰে দুখীয়া আৰু মোৰ গাওঁত এটুকুৰাও খেতিৰ মাটি নাই ।”

গোবিন্দই ভাবিলে যিকোনো উপায়ে এই কুকুৰাটো নিজৰ কৰি লব লাগিব । তেওঁ হৰিৰ দুয়োখন হাতত ধৰি কাকুতি কৰিব ধৰিলে, “চোৰা বন্ধু ! মোৰ ককাইৰ চাৰিবিঘা মাটিৰ খেতি আছে । তাৰে দুইবিঘাটো মই পাম । সেই মাটিত মই খেতি কৰিম । আৰু তাত যি শস্য পাওঁ এই কুকুৰাটোক পেটভৰাই খুৱাম । এই কুকুৰাটো মোৰ তাত বিক্ৰী কৰা।”

হৰিয়ে চিন্তাত পৰিলে । কিছুসময় পাছত তেওঁ কলে, “ঠিক আছে, এতিয়া এই কুকুৰাটোৰ বাবে মোক একো মূল্য দিব নালাগে । পৰিশ্ৰম কৰি যি শস্য পোৱা, তাৰে পৰা এভাগ মোৰ কাৰণে ৰাখি থবা । ছয়মাহ পাছত মই আকৌ ইয়ালৈ আহিম । মোক তেতিয়া সেইখিনি দি দিবা । মোৰ বাবে সেইখিনিয়েই যথেষ্ট ।”

গোবিন্দই খুব আনন্দিত হ'ল আৰু কলে, “ভগৱানক সাক্ষীৰাখি প্ৰতিজ্ঞা কৰিছো মই মোৰ কথা ৰাখিম ।” এইবুলি কৈ তেওঁ কুকুৰাজনী নিজৰ হাতত ললে ।

পিছদিনা ৰাতিপুৱাই হৰি গুচি গ'ল । গোবিন্দই ককায়েকক লগ ধৰিলে আৰু খেতিৰ আধা ভাগ তেওঁক দিবলৈ দাবী কৰিলে । গোবিন্দই কলে যে তেওঁ নিজেই খেতি কৰিব আৰু আজিৰ পৰা আনৰ সহায়ৰ বাবে নিৰ্ভৰ নকৰে । প্ৰথমতে তেওঁ গোবিন্দৰ ব্যৱহাৰত আচৰিত হৈছিল । তথাপিও শেষত তেওঁ সমৰ্থন কৰিলে ।

তেতিয়াৰে পৰা গোবিন্দই ৰাতিপুৱা সোনকালে উঠি পথাৰলৈ গৈছিল । গোটেইদিন পথাৰতে কাম কৰিছিল । এতিয়া তেওঁ সেইদিনটোৰ প্ৰতিক্ষাত থাকিল যিদিনা তেওঁৰ ঘৰ শস্যৰে ভৰি পৰিব ।

কেইবা মাহো পাৰ হৈ গ'ল । খেতি পথাৰ শস্যৰে ভৰি পৰিছিল । অৱশেষত সেই সময় আহি পালে । গাড়ী ভৰ্ত্তি শস্য ঘৰলৈ লৈ আহিলে ।

এতিয়া তেওঁৰ ঘৰ শস্যৰে ভৰি পৰিছে। তাকে দেখি তেওঁৰ পত্নীও খুব সুখী । আন মানুহৰ সহায় নোলোৱাকৈ গোবিন্দই ইমান সফলতা লাভ কৰা বাবে গাঁৱৰ মানুহেও গোবিন্দক শলাগিছে ।

গোবিন্দই খুব মৰমেৰে কুকুৰাটোৰ গাত হাত বুলাই শস্যৰ দানা খুৱাব ধৰিলে । কুকুৰাটোৱে মনৰ আনন্দত জপিয়াই জপিয়াই খাব ধৰিলে ।

এইদৰে আকৌ এমাহ পাৰ হ'ল । খুব আকুলতাৰে গোবিন্দই সেই দিনটোৰ অপেক্ষাত থাকিল যে কেতিয়া কুকুৰাটোৱে

সোণৰ কণী পাৰিব । সদায়টো তাই কণী পাৰে, কিন্তু ইমান খোৱাৰ পাছতো সোনৰ কণী পাৰা নাই । তেওঁ ভাবিলে হৰিয়ে কোৱামতে কিজানি এই কণীবোৰৰে কোনো এটা সোনৰ হৈ যায় । কিন্তু সেয়াও নহ'ল । তেওঁ কণী ভাঙিও চালে । তেওঁ নিৰাশ হৈ পৰিল । হৰিৰ ওপৰত তেওঁৰ খং উঠিল । তেওঁ হৰিক এশিকনি দিম বুলি ঠিৰাং কৰিলে।

এদিন হৰি তেওঁৰ ঘৰ আহি ওলাল। আৰু গোবিন্দক সুধিলে, "কি খবৰ ? সকলোবোৰ ঠিকঠিক চলিছেনে ? কিন্তু গোবিন্দই খঙতে কলে," "তুমি মোৰ লগত বিশ্বাসঘাটকতা কৰিছা । তোমাৰ কুকুৰাই সোণৰ কণী দিব নাজানে ।"

এই কথাত হৰিয়ে হাঁহিমাৰিলে আৰু গোবিন্দৰ কান্ধত হাতথৈ কলে, "চোৰা, মই তোমাক ফাঁকি দিয়া নাই । এইটো তোমাৰ কুকুৰা, মোৰ নহয় । তাইটো সোনৰ কণী পাৰিছে । তাইৰ কণীত সোণ নাই, কিন্তু এই শস্যত আছে, যাক তুমি পৰিশ্ৰম কৰি, কষ্ট কৰি অকলেই কৰিছা । এতিয়া তোমাৰ ঘৰত শস্যৰ পাহাৰ বনাইছা । এইবোৰৰ মূল্য কি সোনতকৈ কম ? গম্ভীৰভাবে তেওঁ কলে ।

গোবিন্দই বুজি পোৱা নাই এই প্ৰশ্নৰ কি উত্তৰ দিব । তেওঁ কিছুসময় মনে মনে থাকিলে। তাৰ পাছত কলে, "হয় হৰি, তুমি সঁচা কথাই কৈছা । এতিয়া মোৰ ঘৰত সঁচাকৈয়ে সোনৰ কণী পাৰা কুকুৰা আছে । তুমি মোক দিবা স্বপ্ন দেখাৰ পৰা মুক্ত কৰি দিলা । তুমি মোৰ কোনো দূৰসম্পৰ্কীয় আলহীতো নহয় ?"

"নহয়, মই তোমাৰ কোনো আলহী নহয়। ওচৰৰ গাওঁখনৰ মই হৰি । ইয়াৰে পাঠশালা স্কুলৰ শিক্ষক । এইফালেৰে আহোতে যাওতে মানুহৰ মুখত মই তোমাৰ বিষয়ে শুনিছো । মই এইটোও শুনিছো যে তুমি সোনৰ কণী পাৰা হাঁহৰ সপোন দেখা । এই কথাবোৰ শুনি মই মনতে এটা বুদ্ধি সজালো । সোনৰ কণী পাৰা হাঁহ হওঁক বা কুকুৰা, তাত কোনো কথা নাই, সেয়েহে মই এই কুকুকৰাটো লৈ আহিছিলো।" হৰিয়ে হাঁহিমাৰি কলে ।



গছৰ ওপৰত দেৱী

পাৰিজাত কল্পবৃক্ষ দেৱলোকত আছে । যি বিচৰা যায়, সেই গছজোপাই দিয়ে । অপেশ্বৰী সুনন্দাই বিচাৰিছিল যে তাই দেবেন্দ্ৰৰ পত্নী হব । নিজৰ মনৰ ইচ্ছা পূৰণ কৰিবলৈ তাই সেই গছজোপাৰ তললৈ গ'ল। কিন্তু গছজোপাৰ তললৈ যোৱাৰ লগে লগে তাই সকলো পাহৰি গ'ল । যেতিয়া তাই দূৰলৈ গুচি আহিল তাইৰ ইচ্ছাৰ কথা আকৌ মনলৈ আহিল । এনেকুৱা এবাৰ নহয়, কেইবাবাৰো হ'ল । বহুপৰ পাছত তাই সেই পাৰিজাত বৃক্ষৰ তললৈ যাবৰ সমৰ্থ হ'ল আৰু কলে, হে পাৰিজাত বৃক্ষ মই তোমাৰ তললৈ আহিলেই সকলো মনৰ ইচ্ছা পাহৰি যাওঁ । মোক এনেকুৱা বৰ দিয়া যাতে মই মোৰ মনৰ ইচ্ছা মনত ৰাখিব পাৰো ।"

"এইটো সম্ভৱ নহয় । কাৰণ বৰ দিয়াতো ভগৱানৰহে কাম । যি বিচৰা, সেইটো দিয়াহে মাত্ৰ মোৰ কাম ।" পাৰিজাত বৃক্ষই কলে ।

"ঘৰত মই কি কৰিম ? আৰু তোমাৰ তললৈ আহিলেও মই মোৰ ইচ্ছাবোৰ পাহৰি যাওঁ । এনেকুৱা কিয় হৈছেনো ? মোৰ ইচ্ছা পূৰণৰ পথ কি ? সুনন্দাই দুখমনেৰে কলে ।

"তোমাৰ মনৰ ইচ্ছা কি, সেইটো মই জানো । কিন্তু সেইটো উচিত নহয় । সেয়েহে মই তোমাক সেই ইচ্ছা মনত আহিব নিদিওঁ । তুমি এগৰাকী পতিব্ৰতা স্ত্ৰীৰ পতিৰ পত্নী হব বিছাৰিছা । তোমাৰ এই ইচ্ছা সমূলি অনুচিত । তুমি অন্য কিবা বিচৰা । মই নিশ্চয় তোমাৰ সেই ইচ্ছা পূৰণ কৰিম ।" পাৰিজাত বৃক্ষই কলে ।

পাৰিজাতৰ এই কথা শুনি সুনন্দাৰ খং উঠিল আৰু কবলৈ ধৰিলে, "তুমিনো কেনেকুৱা গছ । ইচ্ছাবোৰ পাহৰাই দিয়া তোমাৰ দৰে বৃক্ষক মই কোনো ভয়

নকৰো।" এইবুলি কৈ তাই গছজোপাৰ চাৰিটা ডাল ভাঙি দিলে।

পাৰিজাত বৃক্ষৰো খং উলিলে আৰু কলে, "তুমি মোৰ ডাল ভাঙিলা। সেইকাৰণে মই তোমাক শাপ দিলো। এতিয়াৰে পৰা তোমাৰ নিবাস স্থান হব মাটি। তাত তুমি এনেকুৱা গছৰ আশ্ৰয়ত থাকিবা যি গছৰ ডাল ভঙা। দেবলোকত তোমাৰ কোনো স্থান নাথাকিব।

সুনন্দাই ভয় খালে আৰু কাকুতি কৰি কবলৈ ধৰিলে, "তোমাৰ কাৰণেই মই তোমাৰ তললৈ আহিলে মোৰ মনৰ ইচ্ছাবোৰ পাহৰি যাওঁ। সেইটো তুমি কৰিব পাৰিছা, কিন্তু মোৰ ক্ৰোধ দমাই ৰখাত তুমি মোক সহায় নকৰিলা। এনেকৰিলে মই কিয় তোমাৰ ডাল ভাঙিলোহেতেন। মই যি ভুল কৰিছো, ইয়াত তোমাৰেই দোষ। সেয়েহে মোক শাস্তি দিয়াতো ন্যায়সঙ্গত নহয়।"

"ভগবানে বিচাৰে যে কল্পবৃক্ষ হোৱা বাবে মই ভাল কাম কৰো। ভগবানে আনৰ ইচ্ছাক নিয়ন্ত্ৰন ৰখাৰ শক্তি মোক দিয়া নাই। তোমাৰ খঙৰ বাবেই মোৰ চাৰিটা ডাল ভাঙিলে।

ডাল ভাঙিলে গছএডালে কিমান কষ্ট পায়, তুমি বুজি নাপাবা। মই যি কষ্ট পাবলগীয়া আছিল পালো। এতিয়া তুমিও তোমাৰ শাস্তি পাব লাগিব। তুমি এতিয়া পৃথিৱীলৈ গুচি যোৱা আৰু সেই গছৰ আশ্ৰয়ত থাকা যাৰ ডালবোৰ ভঙা। তেতিয়াহে তুমিও গছ এডালে পোৱা কষ্টৰ অনুভব কৰিব পাৰিবা। সেয়েহে মই তোমাক এই শাপ দিছো।" পাৰিজাতে কলে।

সুনন্দাই বুজিব পাৰিছিল যে শাপৰ পৰা মুক্ত হোৱা অসম্ভৱ। সেয়ে পাৰিজাতক কাকুতি কৰি কবলৈ ধৰিলে, "মোক এনেকুৱা বৰ দিয়া যাতে মই ভূলোকত নিজৰ শক্তিৰ পৰা বঞ্চিত নহও।"

"ভূলোকলৈ গলেও তোমাৰ শক্তিৰ বিনাশ নহয়। সেই শক্তি আনৰ উপকাৰৰ কাৰণে আহিব।" পাৰিজাত বৃক্ষই কলে।

পিছমুহূৰ্ত্ততে সুনন্দা পৃথিৱীলৈ নামি আহিল। এটা ঘৰৰ পাছফালে থকা গছ এডালত তাই আশ্ৰয় ললে।

সুনন্দাই গছডালত বহিছিলহে মাত্ৰ এনেতে ঘৰৰ মালিক কন্দৰ্পই কিবা কাৰণত গছডালৰ ডাল এটা ভাঙিলে। সুনন্দাৰ এনে লাগিছিল যেন কোনোবাই তাইৰ হাত এখনহে ভাঙিলে। তাই কেকাই উঠিলে। কন্দৰ্পই এই কেকনি শুনি ভয় খাই গ'ল।



তেওঁ আচৰিত হৈ গছডালৰ ফালে চাব ধৰিলে।

"মই তোমাৰ কি ক্ষতি কৰিছো ? অকাৰণে তুমি মোৰ ডাল ভাঙিলা ?" গছৰ ওপৰত বহি থকা সুনন্দাই গৰজি উঠিল।

কন্দৰ্পই কিন্তু দেৱী সুনন্দাক দেখা পোৱা নাছিল। তেওঁ ভাবিলে গছডালেই কথা কৈছে। তেওঁ কলে, "ৰান্ধিবলৈ ঘৰত খৰি এডালো নাই। সেয়েহে গছৰ ডাল ভাঙিছিলো।"

তেতিয়া সুনন্দাই দেখা দিলে আৰু কলে, "এই গছে বহু বছৰ ধৰি মানৱ জাতিৰ সেৱা কৰি আহিছে। ই ভগবানৰ প্ৰিয় গছ। তেওঁৱে মোক ইয়ালৈ পঠাইছে। মই এই গছডালতেই থাকো। ভৱিষ্যতে কেতিয়াও কোনো গছৰ অপকাৰ নকৰিবা। তোমাক যি লাগে, মোক খুজিবা। মই দিম।" এইবুলি কৈ তাতেই এটা চৌকাৰ সৃষ্টি কৰি কন্দৰ্পক দিলে।

কন্দৰ্পই যেতিয়াই বিচাৰিছিল চৌকাটোৰ পৰা জুই ওলাইছিল। যেতিয়া জুইৰ দৰকাৰ নহয় তেতিয়া নুমাই আছিল। এই ঘটনাৰ চাৰিদিননান পাছত তেওঁ হাতত কুঠাৰ এখন লৈ গছডালৰ ওচৰলৈ আহিলে।

সুনন্দা দেৱীয়ে এই দৃশ্য দেখি ভয় খালে আৰু তেওঁক সুধিলে। তেতিয়া কন্দৰ্পই কলে, "মোৰ মাৰ খুব অসুখ। চিকিৎসাৰ বাবে টকাও বহুত লাগে। সেয়ে মই ঘৰটো বেচিব ওলাইছো। কিন্তু যিজনে কিনিব তেওঁ কৈছে গছডাল কাটিলেহে তেওঁ ঘৰটো কিনিব। কাৰণ ঘৰটোৰ পাছফালে গছ থকাতো তেওঁৰ বাবে হেনো অসুভ।" এইবুলি কৈ কন্দৰ্পই গছডাল কাটিবলৈ কুঠাৰখন ললে।

সুনন্দাই গছডাল কাটিব বাধা দি কলে, "তুমি তোমাৰ মাক ইয়ালৈ আনি গছৰ তলত শুৱাই দিয়া। এই গছৰ বতাহ লাগিলে

দুই তিনিদিনৰ ভিতৰতে তোমাৰ মা সুস্থ হৈ উঠিব ।”

কন্দৰ্পই সুনন্দাই কোৱামতে কৰিলে আৰু মাকেও সম্পূৰ্ণ সুস্থ হৈ উঠিল । তেতিয়াৰে পৰা পাৰিয়ালৰ সকলোৱে গছডালক পূজা কৰিব ধৰিলে । যি বিচাৰে, মানুহে তাকেই পায় । তেতিয়াৰে পৰা গছডালৰ নাম কল্পবৃক্ষ হ'ল । যেতিয়া গাৱঁৰ মানুহে জানিব পাৰিলে যে কন্দৰ্পৰ দৈনন্দিন আৱশ্যকীয় বস্তু গছডালৰ পৰা পায় তেতিয়া আন মানুহেও গছডালক পূজা কৰিব ধৰিলে । নিজৰ ইচ্ছাবোৰ গছডালক জনালে ।

গছডালৰ দেৱীয়ে বহুতলোকক বৰদান দিলে । মানুহে যাতে গছক কষ্ট নিদিয়ে, অনিষ্ট নকৰে সেই কথাও বুজালে । বহু ৰোগীক সুস্থ কৰি তুলিলে । কিন্তু দেৱীৰ কাষলৈ অহা মানুহবোৰৰ কিছুমানে আকৌ বিচাৰিছিল আনৰ অহিত কৰিবলৈ আনক কষ্ট দিবলৈ । কিন্তু দেৱীয়ে সেই ইচ্ছা পূৰণ নকৰিছিল । তেওঁ সৎপথে চলিবলৈ উপদেশ দিছিল । তেওঁলোকে দেৱীৰ এই কথা নুশুনি অপপ্ৰচাৰ কৰিছিল যে গছডালৰ সকলো ইচ্ছা পূৰণ কৰিব পৰা শক্তি নাই ।

এই কথা যেতিয়া সুনন্দাই গম পালে তেতিয়া মনে মনে পাৰিজাত কল্পবৃক্ষক প্ৰাৰ্থনা কৰিলে, “হে পাৰিজাত কল্পবৃক্ষ, মোক এনে বৰ দিয়া যাতে মই আগতেই জানিব পাৰো মানুহৰ মনৰ ইচ্ছা কি । যদি কোনোবাই বেয়া ইচ্ছা মনতলৈ মোৰ কাষলৈ আহে তেওঁ যাতে তেওঁৰ ইচ্ছা মনত পেলাব নোৱাৰে ।”

তেতিয়া সুনন্দাৰ কানত পাৰিজাত বৃক্ষৰ এই কথা গুনগুনাই উঠিলে । এতিয়া তোমাৰ জ্ঞানোদয় হৈছে । যি বৃক্ষ জাতিয়ে তোমাক আশ্ৰয় দিছে, সেই বৃক্ষ জাতিৰ তুমি আৰু যদি উপকাৰ কৰা তেন্তে তুমি অভিশাপৰ পৰা মুক্ত হবা । তাৰপিছত তুমি আকৌ দেৱ-লোকলৈ আহিব পাৰিবা ।

সুনন্দাই সুখী মনেৰে নিজৰ সমস্ত শক্তি আনক উপকাৰ কৰিবলৈ গোটেই বৃক্ষ জাতিকে ভগাই দিলে আৰু দেৱলোকলৈ গুচি গ'ল ।

তেতিয়াৰে পৰা গছেই দেৱ দেৱীহে মানুহৰ কিমান লাভ আৰু উপকাৰ কৰি আহিছে ।

অৰুণাচল প্ৰদেশৰ লোককথা

অৰুণাচল প্ৰদেশক সাধাৰণতে সূৰ্য্যোদয়ৰ দেশ বুলি জনা যায় । এই ৰাজ্যখন উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যবোৰৰ ভিতৰতে বৃহত্তম ৰাজ্য । ই উত্তৰৰ একেবাৰে বৰফাবৃত পৰ্বতৰ পৰা দক্ষিণৰ ব্ৰহ্মপুত্ৰ উপত্যকালৈকে প্ৰসাৰিত হৈ আছে ।

অৰুণাচল প্ৰদেশে ১৯৮৭ চনৰ ২০ ফেব্ৰুৱাৰীত পূৰ্ণ ৰাজ্যৰ মৰ্য্যদা পায় । এই ৰাজ্যখনৰ এক দীঘল আন্তৰ্জাতিক সীমৰেখা আছে । এই ৰাজ্যৰ উত্তৰ আৰু উত্তৰ পূবত আছে চীন, পূবে মিয়ানমাৰ আৰু পশ্চিমত আছে ভূটান । ইয়াৰ দক্ষিণৰ সীমান্ত ৰাজ্য দুখন হ'ল- অসম আৰু নগালেণ্ড ।

৮৩,৭৪৩ বৰ্গ কি.মি. আয়তনৰ এই ৰাজখনৰ জনসংখ্যা ১,০৯১,১১৭ জন। এই ৰাজ্যখনক প্ৰধানকৈ পাঁচটা নদী উপত্যকাত ভাগ কৰা হৈছে । এই ৰাজ্যৰ ভিতৰত ওখ পৰ্বত আৰু ঘন জঙ্ঘল আছে।

অৰুণাচলত ২০টা প্ৰধান জনজাতি আৰু অন্যান্য বহুতো উপ-জনজাতিৰ লোকে বাস কৰে । এই জনজাতিবোৰৰ প্ৰত্যেকৰে বেলেগ বেলেগ সংস্কৃতি আছে আৰু তেওঁলোকে বিভিন্ন উপভাষাত কথা কয় ।

অৰুণাচল প্ৰদেশৰ ৰাজধানী ইটানগৰ।

পলায়ন !

এখন নিশি সম্প্ৰদায়ৰ গাঁৱত দুই ভাই ককায়ে বাস কৰিছিল । ডাঙৰজনৰ নাম নিমা আৰু সৰুজনৰ নাম নিয়া । ডাঙৰজন বুদ্ধিমান, কিন্তু সৰুজন সিমান চতুৰ নহয় ।

এদিনাখন সিহঁতৰ মাক দেউতাক চিকাৰ কৰিবলৈ যাওঁতে এটা দুষ্ট ৰাক্ষসে এটা ডাঙৰ বাঁহৰ খাং লৈ গাহৰি চুৰি কৰিবলৈ আহিছিল।

হঠাতে তাৰ চকু চোতালত খেলি থকা ল'ৰাদুজনৰ ওপৰত পৰিল । "আঃ, ইহঁতক নিব পাৰিলে এক ভাল দুপৰীয়াৰ আহাৰ হব।



কি যে কোমল মাংস ।" ল'ৰাদুজনক দেখি ৰাক্ষসটোৱে মনতে ভাবিলে । কিন্তু ওচৰৰ মানুহে দেখাৰ আগতে ইহঁতক ধৰিব লাগিব।' এইবুলি ৰাক্ষটোৱে এক বুদ্ধি সাজিলে । সৰু ল'ৰা-ছোৱালীয়ে কল ভাল পায় । গতিকে সি ওচৰৰে গছৰ পৰা এথোক পকা কল আনি বাঁহৰ খাংটোত ভৰাই ল'লে ।

তাৰ পাছত ৰাক্ষসটোৱে সৰু ল'ৰাদুটাৰ কাষলৈ আহি ক'লে, "বাছাহঁত, মই তোমালোকৰ খুৰা ! চোৱাচোন মই তোমালোকলৈ কি আনিছো !"

নিমা অলপ বুদ্ধিমান । সি ভাবিলে, "খুৰা? আমাৰ যে ইমান কুৎচিত খুৰা আছে আমিতো নাজানো ।" কিন্তু নিয়াই ততালিকে গৈ ৰাক্ষসটোক সুধিলে, "খুৰা, তুমি আমাৰ কাৰণে কি আনিছা ?"

ৰাক্ষসটোৱে বাঁহৰ খাংটোৰ দুৱাৰখন খুলি দি ক'লে, "ভিতৰত গৈ চোৱাচোন ! মই তোমালোকৰ কাৰণে পকা কল আনিছো। তোমালোকে পকা কল ভাল পোৱা নহয় নে?"

নিয়াই খাংটোৰ ভিতৰত পকা কল দেখি কল আনিবলৈ দৌৰি সোমাই গ'ল । নিমাই অলপ ইতস্তঃ কৰিছিল যদিও কলৰ লোভত সিওঁ সৰু ভায়েকৰ পিছে পিছে গ'ল । সিহঁতে খাংটোৰ ভিতৰত সোমোৱাৰ লগে লগে ৰাক্ষসটোৱে দুৱাৰখন বন্ধ কৰি দি ক'লে, "থাক এতিয়া তাতে সোমায় ।"

তাৰ পাছত ৰাক্ষসটোৱে গুহাত থকা তাৰ ঘৰলৈ আহি আনন্দ মনে ঘৈণীয়েকক ক'লে, "ভালদৰে একুৰা জুই ধৰি ডেক্‌ছিত



পানী গৰম কৰা । আজি মই ভাল আহাৰ লৈ আহিছো ।"

ৰাক্ষসীয়েও সৰু ল'ৰা দুটা দেখি খুব আনন্দিত হৈ জুই একুৰা ধৰি তাৰ ওপৰত প্ৰকাণ্ড এটা ডেকছি বহাই দিলে । সেইটো পানীৰে পূৰ্ণ কৰি তাত ল'ৰাদুটাক পেলাই দিলে । দুই ভায়ে সাঁতুৰিব জানিছিল । সেয়েহে দুয়ো ডেকছিৰ পানীত সাঁতুৰিব ধৰিলে । সিহঁতে ৰাক্ষসে ৰাক্ষসীক কোৱা শুনিলে, "চোৱাচোন, ডেকছিৰ পানী উতলিছে নে নাই !" তেতিয়া নিমাৰ মনত এটা বুদ্ধি খেলালে । তাৰ পাছত দুয়ো ভায়েকে ডুব দি ডেকছিৰ তললৈ গ'ল । ৰাক্ষসীয়ে আহি দেখেযে পানীত বুৰবুৰণি উঠিছে । সেয়েহে তাই পানী গৰম হোৱা ।

বুলি ভাবিলে। আচলতে সেই বুৰবুৰণি দুয়ো ভায়েকে পানীৰ তলত উশাহ লোৱা কাৰণে উঠিছিল।

"পানী গৰম হৈ মাংস সিজিব ধৰিছে। এতিয়াই আমাৰ আহাৰ সাজু হব।" ৰাক্ষসীয়ে ৰাক্ষসক কলে।

তাৰ পিছত দুয়ো ৰাক্ষস ৰাক্ষসীয়ে দুপৰীয়াৰ আহাৰ খাবলৈকে হাত মুখ ধুবলৈ গ'ল। নিমা আৰু নিয়াই ৰাক্ষস ৰাক্ষসী নথকাৰ সুযোগতে জাঁপ মাৰি ডেকছিৰ পৰা ওলাই আহিল। সিহঁত দুয়ো ওলাই আহি গুহাৰ এটা চুকত থকা ৰাক্ষসৰ পোৱালি দুটাক ডেকছিৰ পানীত পেলাই দিলে। ডেকছিৰ পানী লাহে লাহে গৰম হৈ অহাত পোৱলি দুটাই চিঞৰিবলৈ ধৰিলে।

"নিয়া বেগাই দৌৰা। ৰাক্ষসে আমি পলাই যোৱা বুলি জনাৰ আগতে আমি



নেদেখা হওঁ বলা।" নিমাই চিঞৰি কলে। তাৰ পাছত দুয়ো হাবিৰ মাজত থকা নদীৰ ফালে দৌৰি গ'ল।

ৰাক্ষস ৰাক্ষসীয়ে গুহালৈ উভতি আহি ডেকছিৰ ভিতৰত বিকট চিঞৰ শুনিবলৈ পাই আচৰিত হ'ল। সিহঁতে ডেকছিৰ ভিতৰলৈ জুমি চাই দেখে যে সিহঁতৰ পোৱালি দুটাই ডেকছিৰ গৰম পানীত সিদ্ধ হৈছে।

ৰাক্ষসীয়ে তৎক্ষণাত জুই নুমাই দি ডেকছিৰ পৰা পোৱালি দুটা তুলি আনি কান্দিবলৈ ধৰিলে। "অ' মোৰ বাছাহঁত! তোমালোক আধা সিজা হৈছাই। এতিয়াই আমি ল'ৰা দুটা বুলি তোমালোককে খাই পেলালোহেতেন।"

"এইটো সেই নিশি ল'ৰা দুটাৰে কাণ্ড।" ৰাক্ষসে খঙেৰে কলে। "বলা আমি দুয়ো সিহঁতক ধৰি আনো। দুয়োকে ধৰি আনি আজি ৰান্ধি খামেই, অন্ততঃ আমাৰ পোৱালি মৰাৰ পোতক তুলিম।"

ৰাক্ষস ৰাক্ষসীয়ে ল'ৰা দুটা যোৱা খোজৰ চিহ্ন চাই চাই সিহঁতক বিচাৰি ওলাই গ'ল।

সিহঁতে দৌৰি গৈ ল'ৰা দুটাৰ ওচৰ পাওঁ পাওঁ হ'ল। ল'ৰাদুটাই নদীৰ পাৰ পাই পিচফালে ঘূৰি চাই দেখে যে ৰাক্ষসে সিহঁতক খেদি আহিছে। "বেগাই আহা নিয়া! ৰাক্ষসে লগ পোৱাৰ আগতে আমি নদীৰ পাৰৰ গছজোপাত উঠো বলা।" নিমাই কলে। তাৰ পিছত দুয়ো গছৰ ওপৰলৈ উঠি গ'ল।

দুয়ো ৰাক্ষস গছৰ ওচৰলৈ আহি অসহায় ভাবে গছজোপাৰ ফালে চাই ৰল। "উঠা, গছত উঠা!" ৰাক্ষসীয়ে ৰাক্ষসক কলে।

শিল্পকলা

হস্তশিল্প আৰু তাঁত শিল্পত অৰুণাচল প্ৰদেশ অতি চহকী । বাঁহ বেতৰ কামৰ কাৰণে এই ৰাজ্যখন অতি বিখ্যাত । ইয়াৰ মানুহবোৰে বাঁহ বেতেৰে সুন্দৰ সুন্দৰ আচবাব তৈয়াৰ কৰিব পাৰে । তেওঁলোকে ব্যৱহাৰ কৰা টুপী আৰু জাপিবোৰ জনজাতিভেদে বেলেগ বেলেগ ।

অৰুণাচ প্ৰদেশত মণি আৰু ঘাঁহেৰে তৈয়াৰী প্ৰচুৰ অলঙ্কাৰ পোৱা যায় । ইয়াত মণিৰে তৈয়াৰ কৰা ধুনীয়া নেকলেচ, বাজু, কঁকালবন্ধনী. টুপী আৰু কাণফুলি পোৱা যায় । এই অলঙ্কাৰবোৰ পুৰুষ তিৰোতা উভয়েই পিন্ধে । নদীৰ পাৰত গজি উঠা এবিধ খাগৰীৰেও অলঙ্কাৰ তৈয়াৰ কৰা হয় । এই অলঙ্কাৰবোৰ সাধাৰণতে তিৰোতাবোৰে তৈয়াৰ কৰে ।

এই ৰাজ্যখনক তাঁত শিল্পৰ আৰ্হিৰ ভঁৰাল বুলি কব পাৰি । ইয়াত বাস কৰা ২০টা প্ৰধান জনজাতি আৰু প্ৰায় ১০০টা উপজনজাতিৰ মহিলাই সুন্দৰ সুন্দৰ আৰ্হিৰ কাপোৰ বয় । ইয়াতে কাৰ্পেট আৰু মোনাও তৈয়াৰ কৰা হয় ।

"মই গছত উঠিব নাজানো ।" তলৰ ওঁঠটো কামুৰি ৰাক্ষসে উত্তৰ দিলে ।" "কেনেকৈ গছত উঠিব লাগে সিহঁতক সোধো ৰবা । সিহঁতে গছত উঠাৰ কায়দাটো শিকাই দিবও পাৰে ।"

ৰাক্ষসে তেতিয়া অতি মৰমেৰে কলে, "আঃ, তোমালোকে কিমান খৰকৈ ইমান ওখ গছজোপাত বগাই উঠি গ'লা । তোমালোকৰ কি বুদ্ধি ! গছত উঠিবলৈ তোমালোকক কোনে শিকাইছে !"

"ককাদেউতাই ।" নিয়াই তৎক্ষণাত উত্তৰ দিলে, নিমাই তাক মনে মনে থাকিবলৈ তাৰ গাত আঙুলিৰে খুচি দিলে ।

"বঢ়িয়া !" ৰাক্ষসটোৱে শলাগিলে । "তোমালোকে গছত উঠিবলৈ ভালদৰে শিকিছা নে নাই পৰীক্ষা লওঁ ৰবা ! এতিয়া কোৱাচোন, এডাল পিচল ওখ গছৰ ওপৰলৈ কেনেকৈ উঠিব লাগে ?"

"মই জানো," নিয়াই কলে । "প্ৰথমতে গছডালৰ গাত বগাই উঠা লতা বিচাৰি লব লাগিব !" নিমাই তাৰ কথা কোৱাত বাধা দিব খুজিছিল, কিন্তু পলম হৈ গ'ল । ইতিমধ্যে সি আচল কথাটো কৈ পেলালে ।

ৰাক্ষসটোৱে গছজোপাৰ চাৰিওফালে ঘূৰি ঘূৰি চাই এডাল লতা দেখিবলৈ পালে । "হাঃ, হাঃ, হাঃ" ৰাক্ষসটোৱে হাঁহি হাঁহি কলে, "এতিয়া তোমালোক ক'ত সাৰিবা ।"

ৰাক্ষসে ৰাক্ষসীক কলে, "মই গছৰ



গছৰপৰা পৰিছে । গতিকে ৰাক্ষসীয়ে কুঠাৰেৰে ঘাপ মাৰি দিলে । কুঠাৰৰ ঘাপ গৈ ৰাক্ষসৰ লাওখোলাত লাগিল । ৰাক্ষসটো পৰি যোৱাত ঠাইখিনি কঁপি উঠিল । কুঠাৰৰ ঘাপ খাইয়ো কিন্তু ৰাক্ষসটোৰ মৃত্যু নহল ।

মূৰত কুঠাৰৰ আঘাত পাই ৰাক্ষসে ত্ৰিভূৱন দেখা যেন পালে । কিছুসময় এইদৰে পৰি থকাৰ পিছত সি উঠি বহিল আৰু ৰাক্ষসীক গালি পাৰিবলৈ ধৰিলে ।

ওপৰলৈ উঠি গৈ সিহঁতক পেলাই দিম । তুমি কুঠাৰখন লৈ সাজু হৈ থাকিবা যাতে সিহঁত পৰাৰ লগে লগে কাটি দুচেও কৰিব পাৰা । এইবাৰ সিহঁতে ৰক্ষা নাপাব ।" ৰাক্ষসীয়ে কুঠাৰখন দাঙি লৈ সাজু হৈ ৰল ।

বুধিয়ক নিমাই ৰাক্ষসৰ হাতৰ পৰা ৰক্ষা পাবলৈ এক বুদ্ধি উলিয়ালে । সি মোনাত লৈ থকা সৰু চুৰি কটাৰিখন উলিয়াই ৰাক্ষসটো উঠি অহা লতাডাল ওপৰৰ পৰা কাটিবলৈ ধৰিলে । ৰাক্ষসটোৱে ইতিমধ্যে লতাডালত বগাই উঠি গছজোপাৰ আধামান পাইছিলেই । এনেতে লতাডাল কটা যোৱাত এটা ডাঙৰ চিঞৰ মাৰি ৰাক্ষসটো লতাডালৰে সৈতে মাটিত পাৰি গ'ল ।

ৰাক্ষসীয়ে গছৰ তলত কুঠাৰ দাঙি সাজু হৈ আছিলেই । তাই ভাবিলে ল'ৰা দুটাই

নৃত্য

জনজাতিসকলৰ সামাজিক জীৱনত নৃত্য এক অবিচেদ্য অঙ্গ । ইয়াৰ জনজাতিসকলে উৎসৱ, পূজা-পাতাল আদিত বিভিন্ন ধৰণৰ নৃত্য পৰিবেশন কৰে। জনজাতি ভেদে নৃত্যবোৰ বেলেগ বেলেগ । বৌদ্ধ ধৰ্মীয় নৃত্য নাটিকাৰ পৰা যুদ্ধৰ নৃত্যলৈকে ইয়াৰ জনজাতীয় লোকসকলে পৰিবেশন কৰে ।

এই নৃত্যবোৰ সাধাৰণতে দলীয়ভাবে প্ৰদৰ্শন কৰা হয় । ইয়াত পুৰুষ নাৰী উভয়ে ভাগ লয় । কিন্তু কিছুমান ধৰ্মীয় অনুষ্ঠানৰ নৃত্যত তিৰোতাক ভাগ লবলৈ দিয়া নহয়। কিছুমান অতি জনপ্ৰিয় নৃত্য হ'ল- সিংহ, ইয়ক আৰু ময়ুৰ নৃত্য । নৃত্যৰ লগে লগে গীতো পৰিবেশন কৰা হয় ।

তাৰ মূৰৰ পৰা ধাৰসাৰে তেজ বৈ আছিল যদিও সি কেৰেপকে নকৰিলে । ৰাক্ষসে উঠি গৈ ঘৈণীয়েকৰ হাতৰ পৰা কুঠাৰখন টান মাৰি নি ল'ৰাদুজন উঠি থকা গছজোপা কাটিবলৈ ধৰিলে । "তহঁতক মই সুদাই নেৰো। তহঁতক শেষ কৰিহে এৰিম ।" এইবুলি ৰাক্ষসে ল'ৰাদুজনক গৰজিবলৈ ধৰিলে ।

"নিমা, আমি এতিয়া কি কৰো ? আমাৰ মৃত্যু আজি নিশ্চিত ।" এইবুলি নিয়াই কান্দিবলৈ ধৰিলে । নিমাই তাক সাহস দি কলে, "নাই, আমাৰ একো নহয় । ভগবানে ভাল মানুহৰ কোনো অন্যায় নকৰে । আমিতো কোনো পাপ কাম কৰা নাই । আমাক ৰক্ষা কৰাৰ কাৰণে বৃক্ষ দেৱতা আৰু নদী দেৱতাক প্ৰাৰ্থনা কৰো আহা ।"

প্ৰাকৃতিক সম্পদ

অৰুণাচল প্ৰদেশক প্ৰাকৃতিক সম্পদৰ ভঁৰাল বুলি কব পাৰি । ইয়াক অৰ্কিড আৰু বহুতো দেশী-বিদেশী উদ্ভিদৰ গৃহভূমি বুলি কব পাৰি ।

অৰুণাচল প্ৰদেশৰ ঘন অৰণ্য অঞ্চলত বিভিন্ন ধৰণৰ উদ্ভিদ আৰু জন্তু আছে । ইয়াতে ৫,০০০ বিধৰো ওপৰ উদ্ভিদ, ৮৫ প্ৰজাতিৰ জন্তু আৰু ৫০০ বিধৰো ওপৰ চৰাই দেখিবলৈ পোৱা যায় । ইয়াৰ উপৰিও ইয়াত বহু ধৰণৰ পখীলা আৰু কীটপতঙ্গ আছে ।

গোটেই ৰাজ্যখনতে ওখ চাপৰ বহুতো পৰ্বত আছে । এই পৰ্বতবোৰ ৫০ মিটাৰ উচ্চতাৰ পৰা ৭,০০০ মিটাৰ উচ্চতালৈকে আছে । এই পৰ্বতবোৰৰ মাজেৰে বহুতো জুৰি আৰু নদী বৈ গৈছে। এই ৰাজ্যখনৰ প্ৰাকৃতিক সৌন্দৰ্য্য অতি মনোৰম ।

দুয়ো ভাই-ককায়ে হাতযোৰ কৰি প্ৰাৰ্থনা কৰিবলৈ ধৰিলে । অলপ পিছতে ৰাক্ষসে কটা গছডাল এটা জোকাৰনি মাৰি পৰি গ'ল। কিন্তু ভগবানে সিহঁতৰ প্ৰাৰ্থনা শুনিলে। গছডাল ল'ৰাদুজনৰ সৈতে নদীত পৰি গ'ল । নদীৰ সোঁতে গছৰে সৈতে সিহঁতক উটাই লৈ গ'ল আৰু বহু দূৰত ৰাক্ষসে নেদেখা হোৱা ঠাইত গৈ সিহঁতে সাঁতুৰি পাৰত উঠিল । এইদৰে সিহঁতে ৰাক্ষসৰ হাতৰ পৰা ৰক্ষা পাই ঘৰলৈ উভতি গ'ল ।

ভাৰতৰ বিষয়ে জানিলোৱা

তুমি যদি পঢ়াৰ অভ্যাস কৰা, তুমি ভাৰতীয় পৌৰাণিক কাহিনীবোৰ পঢ়িব লাগিব । তুমি সহজতে সেই ঘটনাবোৰ মনত ৰাখিব পাৰিবা । তুমি মনত ৰাখিব লাগিব ঠাইৰ আৰু মানুহৰ নাম যিবিলাকে এইকাহিনীবোৰৰ ৰূপ দিছে । এই মাহৰ প্ৰশ্নৰ শিতানত তোমাৰ স্মৃতিশক্তি বিচাৰ কৰা হব । কৰবাত উত্তৰবোৰ লিখি থোৱা আৰু যেতিয়া উত্তৰবোৰ চপা হৈ ওলাব মিলাই চাবা ।

১. ভাৰতৰ পৌৰাণিক সাহিত্যত কোন সপ্তচিৰঞ্জীৱ আছিল ?
২. দেৱতা সকলৰ ধন ভৰালী কোন আছিল ?
৩. সূৰ্য্যৰ লগৰীয়াজনৰ নাম কি ?
৪. ভায়েক গণেশ আৰু কাৰ্ত্তিকে মাকৰ পৰা কি পাবলৈ বিচাৰিছিল, যিয়ে প্ৰতিযোগিতাৰ বিধান দিছিল । তেওঁ তেওঁৰ হাতত কি লৈ আছিল ?
৫. মহাভাৰতৰ সত্যবতী মাছমৰীয়া ছোৱালী আছিল । এজন পিতাক আৰু পুত্ৰ এই নামৰ সৈতে জৰিত আছিল । তেওঁলোক কোন আছিল ?
৬. ডেকা ভৰতে সিংহৰ পোৱালীৰ লগত খেলি ভাল পাইছিল । তেওঁক আন এটা নামেৰেও জনা যায় । সেই নামটো কি আছিল ?
৭. অৰ্জুনে যেতিয়া ভীষ্মলৈ প্ৰাণনাশক ধনুৰ বান এৰিছিল, তেওঁ আন এজনৰ পিছফালে আছিল, যাক ভীষ্মই প্ৰতিশোধ লব পৰা নাছিল । সেই ব্যক্তিজন কোন আছিল ?
৮. কাকুতষ্ঠা, ত্ৰিচাঙ্কু আৰু অম্বৰীচাৰ সম্পৰ্ক কি ?
৯. প্ৰীথা এটি জনাজাত নাম । এইটো কি ?

(উত্তৰ অহা সংখ্যাত)

ফেব্ৰুৱাৰী ২০০৩ সংখ্যাৰ প্ৰশ্নাৱলীৰ উত্তৰ

১. ১৯৫১--নতুন দিল্লী
২. অপ্পু এটা হাতী
৩. চান্দৰাম । তেওঁৰ সময় আছিল ১ ঘণ্টা ২৯ মিনিট ২৯ চেকেণ্ড ।
৪. আঠবাৰ । ১৯২৪, ১৯৩২, ১৯৩৬, ১৯৪৮, ১৯৫২, ১৯৫৬, ১৯৬৪, ১৯৮০ ।
৫. পি. টি. উষা ।
৬. কমলজিৎ সান্ধু
৭. ক) মহিলা ক্ৰিকেট, খ) আন্তঃস্কুল ফুটবল, গ) গোল্ফ
৮. ক) মিলখা সিং, খ) সুনীল গাভাস্কাৰ, গ) ধ্যান চান্দ
৯. ১৯৫৪ চনত পানামা প্ৰনালীৰ মাজেদি আটলান্টিকৰ পৰা প্ৰশান্ত মহাসাগৰলৈ সাতুৰি পাৰ হোৱা মিহিৰ সেন প্ৰথম অ-আমেৰিকান ।
১০. প্ৰকাশ পাডুকন, ১৬ বছৰ ।
১১. চেইলত, হিমাচল প্ৰদেশৰ চিমলাৰ ওচৰত ।



গণেশ

নাৰদৰ উপদেশ অনুসৰে পাণ্ডৱসকলে গণেশৰ পূজা কৰিবলৈ ধৰিলে। ধৌম আছিল পাণ্ডৱসকলৰ পুৰোহিত। তেওঁ গণেশৰ পূজা কৰিলে। তাৰ পাছত কৃষ্ণৰ নেতৃত্বত কৌৰৱসকলৰ সৈতে পাণ্ডৱসকলৰ যি যুদ্ধ হৈছিল-সেই যুদ্ধত পাণ্ডৱসকল বিজয়ী হৈছিল। যুদ্ধত বিজয়ী হোৱাৰ পাছত যুধিষ্ঠিৰ ৰজা হ'ল। অশ্বমেধ যজ্ঞৰ বেগৱান অশ্বৰ সৈতে সসৈন্যে অৰ্জুন ওলাই পৰিল। যুধিষ্ঠিৰৰ সৈতে ধৌমও ওলাল। যজ্ঞৰ অশ্ব বিভিন্ন দেশৰ মাজেদি বিজুলি গতিৰে গৈ থাকিল আৰু তাৰ পাছত এসময়ত যজ্ঞৰ অশ্বটো এঠাইত ৰৈ দিলে।

যজ্ঞৰ অশ্ব ৰৈ দিয়াত অৰ্জুন বিস্মিত হ'ল। অৰ্জুনে ধৌমক এই ঘটনাৰ কাৰণ সুধিলে। ধৌম্যই 'পাছত কম' বুলি কৈ অৰ্জুনক আঁৰত লৈ গ'ল। কিছুদূৰলৈ যোৱাৰ পাছত বিৰাট এখন নগৰ পালেহি তেওঁলোকে। সেই নগৰখনত বিৰাট আকাৰৰ গণেশৰ মূৰ্তি আছিল। এটা পাহাৰ খোদিত কৰি গণেশৰ মূৰ্তি সজা হৈছিল। মূৰ্তিটি আছিল শিল্প, স্থাপত্য আৰু ভাস্কৰ্য্যৰ অপূৰ্ব নিদৰ্শন।

ধৌম্যই ক'লে, "অৰ্জুন, গণেশৰ অন্য নাম হ'ল বিঘ্নেশ্বৰ। জগতৰ যিকোনো বিঘিনি গুচাবলৈ হ'লে গণেশক অৰ্থাৎ এই পৰম বিঘ্নেশ্বৰক সুঁৱৰিব লাগিব।"

তাৰ পাছত অৰ্জুন ওলাল নগৰ দৰ্শনলৈ। নগৰৰ বহুতো বিশিষ্ট ব্যক্তিৰ সৈতে অৰ্জুনৰ সাক্ষাৎ হ'ল। এই নগৰত অৰ্জুনে পদাৰ্পণ কৰাত নগৰবাসী আনন্দিত হ'ল। তেওঁলোকৰ

এই ধাৰণা হ'ল যে অৰ্জুন উদ্যোগী হ'লে এই নগৰৰ সকলো ফালৰেপৰাই নিশ্চয় উন্নতি হ'ব। কিছুমান নগৰবাসীয়ে অৰ্জুনক ক'লে, "হে অৰ্জুন, এই নগৰৰ নাম বাতাপিনগৰ। ইয়াত সকলো কাম আৰম্ভ কৰাৰ আগতে গণেশৰ পূজা অনুষ্ঠিত হয়। মহামুনি অগস্ত্যই এই গণেশ-মূৰ্তি নিৰ্মান কৰিছিল। অগস্ত্য মহামুনিয়ে এই গণেশ-মূৰ্তি মিৰ্মাণ কৰাৰ পাছত আমি নগৰবাসীয়ে গণেশৰ অন্য নামকৰণ কৰিলোঁ-বাতাপি গণপতি।"

ধৌমৰ নিৰ্দেশানুসাৰে বাতাপি গণপতিৰ পূজা কৰাৰ পাছত অৰ্জুন নগৰৰ ভিতৰলৈ সোমাল। ধৌমই ক'লে যে, এসময়ত এই নগৰখন আছিল যথেষ্ট সমৃদ্ধ নগৰ। এতিয়া এইখন নগৰলৈ কোনেও ঘূৰি নোচোৱা হ'ল। এই নগৰখনক অতীতৰ দৰে প্ৰাণৱন্ত কৰি তোলাৰ বাবে অসংখ্য নগৰবাসীয়ে অৰ্জুনক খাটিলে।

কবেৰ নামৰ এগৰাকী ৰাজৰ্ষিৰ কমণ্ডলুত কাবেৰীৰ ৰূপত গংগা লুকাই বহি আছিল। তেতিয়া মহামুনি ত্ৰিকালজ্ঞ অগস্ত্যই গংগাক দেখা পাই গংগাক বিবাহ কৰাব বুলি কবেৰক ক'লে।

কবেৰে লগে লগে সম্মতি জ্ঞাপন কৰি ক'লে, "হে অগস্ত্য, কাবেৰীৰ নিজস্ব মতামত বোলা কথা এটা আছে। গতিকে-এই বিবাহৰ কথা এতিয়াই কোৱা আমাৰ পক্ষে ঠিক নহ'ব।"

অগস্ত্য কাবেৰীৰ আশ্ৰমতে থাকিল। এদিনা কাবেৰীয়ে অগস্ত্যক ক'লে, "হে মহামুনি! মোৰ এতিয়া সহ্য পৰ্বতলৈ যোৱাৰ মন গৈছে।" লগে লগে মহামুনি অগস্ত্যই কাবেৰীক সহ্যপৰ্ব তলৈ লৈ গ'ল।

অৰণ্যত বিহাৰ কৰি থাকোঁতে কাবেৰীয়ে পদুম ফুল এটা তুলিবলৈ আগুৱাই যোৱাৰ লগে লগেই হঠাৎ কাবেৰী বোকাত পোত খাই পৰিল। তাৰ পাছত চাওঁতে চাওঁতে কাবেৰীয়ে অকস্মাৎ বিৰাট জলস্ৰোতৰ ৰূপত প্ৰবাহিতা হ'বলৈ ধৰিলে।

অগস্ত্যই কাবেৰীক প্ৰবাহিতা হ'বলৈ বাট উলিয়াই দিলে। কাবেৰীৰ সৃষ্টিৰ গুৰিত তেওঁৰ এক মহান অৱদান থকাৰ কথা ভাবি অগস্ত্যই ভাল পালে।

এদিনা অগস্ত্যই এঠাইত কিছুমান মানুহ গছৰপৰা তললৈ মূ কৰি ওলমি থকা লক্ষ্য কৰিলে। অগস্ত্যই তেওঁলোকক সুধিলে, "তোমালোক কোন? তোমালোক এইদৰে ইয়াত ওলমি আছা কিয়? তোমালোকৰ এই অৱস্থা হ'ল কিয়?"

তেওঁলোকে ক'লে, "আমি যে এইদৰে কত যুগ ধৰি ওলমি থাকিম তাৰ নিশ্চয়তা নাই । আমাৰ বংশধৰ অগস্ত্য সন্তানৰ পিতৃ নোহোৱালৈকে আমাৰ এই অবস্থা অৱশ্যেই থাকিব ।"

এই কথা শুনি অগস্ত্যই তেওঁৰ দিব্যদৃষ্টিৰে লক্ষ্য কৰিলে যে কাবেৰীৰ অংশ হিচাপে বিদৰ্ভ-ৰজাৰ এজনী কন্যা সন্তান জন্মগ্ৰহণ কৰিছে । এই কন্যাসন্তানটিৰ নাম লোপামুদ্ৰা। লোপামুদ্ৰা এতিয়া বিবাহযোগ্য । অগস্ত্যই বিদৰ্ভৰাজক ক'লেগৈ, "হে বিদৰ্ভৰাজ !" মই লোপামুদ্ৰাক বিবাহ কৰাম বুলি স্থিৰ কৰিছোঁ।

অগস্ত্যৰ পিন্ধনত আছিল সন্ন্যাসীৰ পৰিধেয় । লোপামুদ্ৰা আছিল অপূৰ্ব সুন্দৰী। অগস্ত্যৰ দৰে থান-থিত নোহোৱা এজনৰ সৈতে লোপামুদ্ৰা হেন সুন্দৰীক বিয়া দিবনে নিদিব-বিদৰ্ভৰ ৰজাই স্থিৰ কৰিব পৰা নাছিল । তেতিয়া লোপামুদ্ৰায়েই অগস্ত্যক বিয়া কৰালে । বিবাহৰ পাছত অগস্ত্যই লোপামুদ্ৰাক বুজাই ক'লে, "শুনা, মোৰ উপৰিপুৰুষসকলে তললৈ মূ কৰি গছৰপৰা ওলমি আছে । মোৰ সন্তান ভূমিষ্ঠ নোহোৱালৈকে এই কষ্টকৰ অৱস্থায় অন্ত নপৰিব । সেয়েহে মই তোমাক বিয়া কৰাইছোঁ ।"

লোপামুদ্ৰাই ক'লে, "মোক বিবাহ কৰোৱাতে মোৰ প্ৰতি তোমাৰ কৰ্তব্য শেষ হ'লনে ? মই ৰাজ-পৰিয়ালত জন্মগ্ৰহণ কৰিছোঁ, এনেকুৱা ছিঙা-ফটা কাপোৰ-কানি পিন্ধি-উৰি থকা মোৰ পক্ষে অসহ্য । মোক জোখে-জোখেৰে সাজ পাৰ গহনা-পাতি দিব লাগিব । তাৰ বাবে লাগিব ধন-সম্পদ

সেই ধন সম্পদ তুমি উপাৰ্জন কৰিবা ।"

লোপামুদ্ৰাৰ কথা অযৌক্তিক নাছিল । গতিকে ধন বিচাৰি অগস্ত্য ওলাল দূৰদেশলৈ। অগস্ত্যই বহুতো ৰজাৰ কাষ চাপিলে আৰু ধন সম্পদ খুজিলে । কিন্তু প্ৰতিগৰাকী ৰজাই অগস্ত্যক ক'লে, "হে মহামুনি, আমাৰ দেশত উদ্বৃত্ত ধন-সম্পদ নাই । পাৰিলে, আপুনি আমাক সহায় কৰক । আপোনাৰ অসাধ্য কাম এই জগতত একো নাই ।"

অগস্ত্যই অনাই-বনাই ফুৰিবলৈ ধৰিলে। সকলো ঠাইত ব্যৰ্থ হ অৱশেষত তেওঁ অৰণ্যত সোমাল আৰু এঠাইত এচটা বিৰাট আকাৰৰ শিল তেওঁ দেখা পালে । শিলচটা দেখাত সাইলাখ গণেশৰ মূৰ্তিৰ দৰে । কিন্তু গণেশৰ মূৰ্তি যে নহয় সেই কথাতো অগস্ত্য একেবাৰে নিঃসন্দেহ হ'ল । তথাপি শিলচটাকে গণেশৰ মূৰ্তি হিচাপে জ্ঞান কৰি

প্ৰণাম কৰি ক'লে, "হে বিঘ্নেশ্বৰ, হে গণপতি, মোক অলপ ধন-সম্পদ লাগে। তুমি যদি মোক এটা উপায় দিয়া তেনেহ'লে কিজানি মই অলপ ধন-সম্পদ সংগ্ৰহ কৰিব পাৰেঁ। কিন্তু মই কোনো বিশেষ কামো নাজানো।"

এই অৱস্থাত তাত গণেশ উপস্থিত হ'লহি আৰু অগস্ত্যক ক'লে, "হে মহৰ্ষি, তোমাৰনো ইমান প্ৰয়োজন হ'লনে যে এচটা শিলক প্ৰণাম কৰিবলদগীয়া হৈছো?"

অগস্ত্যই গণেশক দেখা পাই উচপ খাই উঠি ক'লে, "আন একো নহয়, মোক অলপ ধন-সম্পদ লাগে।"

গণেশে ক'লে, "অলপ পাছত ইন্দ্ৰই তোমাক মাতিব। ইন্দ্ৰৰ ওচৰত অফুৰন্ত ধন-সম্পদ আছে। আৰু তুমি যেনে ধৰণৰ কাম জানা, ঠিক তেনে ধৰণৰ কাম কৰিয়েই ধন-সম্পদ সংগ্ৰহ কৰিব পাৰিবা।"

অগস্ত্যই ক'লে, "গণপতি, এই শিলৰ বুকুত মই তোমাক দেখা পাইছোঁ আৰু তাৰ বাবেহে মোৰ ইচ্ছাও পূৰণ হৈছে।"

তেতিয়া গণেশে ক'লে, "তোমাৰ ইচ্ছা এতিয়ালৈকো পূৰণ হোৱা নাই, পিছতহে পূৰণ হ'ব।"

গণেশ গুচি গ'ল আৰু অলপ পাছত তাত ওলালহি ইন্দ্ৰ। আৰু ইন্দ্ৰ তাত উপস্থিত হোৱাৰ লগে লগে অগস্ত্যই সকলো কথা ফটফটীয়াকৈ বুজি পালে।

এই অৰণ্যত বাতাপি আৰু ইল্বল নামৰ দুটা শক্তিশালী ৰাক্ষস বাস কৰিছিল। এই ৰাক্ষস দুটাই মুনি-ঋষি, তীৰ্থযাত্ৰী তথা অন্যান্য বাটৰুৱাহঁতক অতৰ্কিতে আক্ৰমণ কৰি

তেওঁলোকৰ ধন সম্পদ লুণ্ঠন কৰি শিলেৰে সজা দুৰ্গ এটাৰ ভিতৰত সাঁচি থৈছিল । বাতাপি আৰু ইল্বই আন এটা কৌশলেৰে বহুতকে বধ কৰিছিল ।

ইল্বই আদৰ-সাদৰেৰে খাবলৈ নিমন্ত্ৰণ কৰি খাহীৰ মাংসেৰে অতিথিক ভালকৈ খুৱায় । তাৰ পাছত অতিথিয়ে যেতিয়া জিৰণি লয়--তেতিয়া ইল্বই 'বাতাপি, বাতাপি' বুলি মাত লগোৱাৰ লগে লগে অতিথিয়ে খোৱা মাংসৰূপী-বাতাপি অতিথিৰ পেট ফালি ওলাই আহে আৰু অতিথিৰ মৃত্যু হয় ।

ইল্বৰ এই অভিনয় কিন্তু অতি জঘন্য কৌশলৰ কথা শুনি অগস্ত্য ক্ৰুদ্ধ হৈ উঠিল ।

ইপিনে ইল্বই অগস্ত্যক দেখি ভাবিলে : এওঁ বোধকৰোঁ বেছ ডাঙৰ ঋষিয়েই হ'ব । এনেবোৰ ঋষিক মাৰি পেলোৱাই মংগল । এই কথা ভাবি ধূৰ্ত নোম-টেঙৰ ৰাক্ষস ইল্বই মহামুনি অগস্ত্যক নিমন্ত্ৰণ কৰিলে ।

অগস্ত্যই ইল্বক ক'লে, "হে ধৰ্মদাতা, তোমাৰ সমান মহান আৰু কোন ? তোমাৰ আতিথ্য গ্ৰহণ কৰিব পাৰিলে নিজক ধন্য মানিম । মই এহেজাৰ যজ্ঞ সমাপন কৰিছোঁ আৰু বিভিন্ন ঠাইত বিভিন্ন খাদ্য ভক্ষণ কৰিছোঁ। কিন্তু সদ্যহতে খাহীৰ মাংসৰ বাহিৰে আন খাদ্যবস্তু মই হজম কৰিব নোৱৰা হৈ পৰিছোঁ ।"

অগস্ত্যৰ কথা শুনি ইল্বই ৰং পালে । ইল্বই উৎসাহেৰে অগস্ত্যক, "হে মহামুনি, মোৰ ঘৰত এটা বুঢ়িয়া খাহী আছে । আশা কৰোঁ আপুনি সেই খাহীটোৰ মাংস খাই ভালেই পাব ।" এই বুলি কৈ খাহীৰূপী বাতাপিলৈ আঙুলিয়ালে ।



অগস্ত্যই খাহীটোলৈ মৰমসনা দৃষ্টিৰে চাই ক'লে, "মই এহেজাৰ যজ্ঞ পাতিছিলোঁ হয়, পিছে ইমান লোদোৰ-পোদোৰ খাহী জীৱনতো দেখা নাই । শুনা বোপাই, এই খাহীটোৰ কলিজা, মগজু, হাওঁফাওঁ আদি বছা বছাখিনি মোক খাবলৈ দিবা । মই মাংস বাদে আন একো নাখাওঁ । আন কোনোবা আলহী আছে যদি-মই খোৱাৰ পাছত তেওঁলোকে খাব । মোৰ এইকণ অনুৰোধ ৰক্ষা কৰিব বুলি আশা কৰোঁ ।"

তাৰ পাছত ইল্বই অগস্ত্যক মাংস খাবলৈ দিলে । অগস্ত্য মুনিৰ খোৱাৰ পৰিমাণ দেখি ইল্বই প্ৰমাদ গণিলে । ইল্বই যিমানেই মাংস দিয়ে, অগস্ত্যই পলকতে খাই অঁতায় । ইল্বই ক'লে, "আপুনি দেখিছোঁ-বেছ গুণী মুনি !

ইতিমধ্যে অগস্ত্যই গোটেই খাহীটো অকলেই খাই উগাৰ ছাৰি ক'লে, "কিবা এটা

গুণ মোৰ থাকিম লাগে, নহ'লেনো ত্ৰিভগতে মোক মানবি-গণিব কিয় ? মাংস খুৱালা, ভালেই খালোঁ; এতিয়া একলহ মদ আনাচোন বোপা ।"

"মদ! ইল্বই অবাক হৈ সুধিলে, "আপুনি একলহ মদ খাব পাৰিবনে প্ৰভু ?"

অগস্ত্যই হাঁহি মাৰি ক'লে, "হে হে-- মই খাম বুলিলে সাগৰ-মহাসাগৰকো খাই হজম কৰিব পাৰোঁ বোপাহে ।"

অগস্ত্যৰ কথাত ইল্ব কঁপি উঠিল । সি ক'লে, "ৰ'ব, মই তেন্তে আমাৰ বাতাপিক মাতোঁ, সি আপোনাৰ কাৰণে মদৰ ব্যৱস্থা কৰি দিব ।" এই বুলি কৈ ইল্বই চিঞৰি উঠিল, "বাতাপি ! বা-তাপি-ঈ !"

তেতিয়া অগস্ত্যই ধীৰে-শাঁতে ক'লে, "বাতাপিক মাতি মিছামিছি সময় নষ্ট নকৰিবা বোপা । তাক মই কেতিয়াবাই হজম কৰিছোঁ।" ইল্বই তাৰপৰা একে চোঁচাই দৌৰি পলাল । এই ঘটনাৰ পাছতপৰা অৰণ্যত ইল্ব আৰু বাতাপিৰ অত্যাচাৰৰ অন্ত পৰিছিল । তাৰ কাৰণে সকলোৱে অগস্ত্য মুনিলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলে ।

অগস্ত্যই তাত উপস্থিত সকলোকে মানুহৰ হাড়ৰ সৰু-সৰা পাহাৰ এটি দেখুৱালে । এইবোৰ আছিল ইল্ব আৰু বাতাপিয় বিভিন্ন কৌশলেৰে মাৰি পেলোৱা অতিথিসকলৰ দেহৰ হাড় ।

তাৰ পাছত অগস্ত্য, ইল্ব আৰু বাতাপিয়ে সাঁচি থোৱা ধন-সম্পদৰ দুৰ্গলৈ গ'ল । তাত অকল্পনীয় পৰিমাণৰ ধন-সম্পদ দ'মাই খোৱা হৈছিল । অগস্ত্যই অনুভৱ কৰিলে যে, এই বিপুল পৰিমাণৰ ধনেৰে এই জগতৰ হাজাৰবিজাৰ মানুহক সুখে সন্তোষে প্ৰতিপালন কৰিব পাৰি ।

অগস্ত্যই তেতিয়া এই বিপুল ধন-সম্পদেৰে গণেশৰ মূৰ্তিৰূপী সেই বিৰাট শিলচটাক কেন্দ্ৰ কৰি এখন মহানগৰৰ সৃষ্টি কৰিলে । নাগৰিকসকলে কেনেকৈ জীৱন যাপন কৰিব-সেইবোৰ কথা নগৰৰ বিভিন্ন অঞ্চলত শিলৰ ফলিত খোদিত কৰি লিখি থোৱা হ'ল । এই নগৰৰ নামকৰণ ভালবেয়াৰ চোৱা-মেলা নগৰৰ জনগণেই কৰিছিল । জনগণৰ প্ৰত্যক্ষ শাসনাধীন এখন আদৰ্শ নগৰ প্ৰতিষ্ঠা কৰা হৈছিল ।



নির্মল আবৰণেৰে ঢকা-মনিকৰণ

ৰহস্যময় হিমালয়, ইয়াৰ বৰফে আগুৰা শৃঙ্গ, গভীৰ সুৰসুৰীয়া পথ আৰু চঞ্চল নদীবোৰে, ভ্ৰমনকাৰী বোৰক বহুল বিচিত্ৰ সৌন্দর্য্যময় ঠাই চাবলৈ আকৰ্ষণ কৰে। হিমালয়ৰ কুলু উপত্যকাটোক কেতিয়াবা ৰূপালী উপত্যকা বা ভগবানৰ দেশ বুলিও কোৱা হয়। এইখন ঠায়ে ভ্ৰমণকাৰী সকলৰ মন মোহিত কৰিব পাৰে। এই সৌন্দর্য্যময় উপত্যকাটো হ'ল হিমাচল প্ৰদেশৰ মনিকৰণ।

মনিকৰণ, ১,৭৩৭ মিটাৰ উচ্চতাত অৱস্থিত গৰম পানীৰ নিজৰাৰে বাবে বিখ্যাত। পাৰ্বতী নদীৰ পাৰত মনিকৰণ অৱস্থিত। ইয়াৰ গৰম পানীত গা ধুলে সকলো বেমাৰৰ পৰা পৰিত্ৰান পায় বুলি বিশ্বাস আছে। এই গৰম পানীৰ উষ্ণতা ৮৮. চে ৰ পৰা ৯৫. চে. লৈ। এই নিজৰাৰ পানী ইমান গৰম যে মাত্ৰ ২০ মিনিটতে ভাত ৰন্ধা হয়।

ভূতাত্ত্বিক সকলে এই নিজৰাৰ পানীত ইউৰেনিয়াম, ৰেডিঅএকটিভ পদাৰ্থ পাইছে। মনিকৰণ, শিখ আৰু হিন্দু উভয়ৰে পূজাৰ ঠাই। প্ৰথম শিখ গুৰু গুৰুনানকৰ পৰিভ্ৰমন মনত ৰাখিবলৈ ইয়াত গুৰুদ্বাৰ সজাইছিল। তেওঁক ইয়াত মধ্যস্থকাৰী বুলিও কোৱা হয়। ১৫ শতিকাত মনিকৰণত অৱস্থিত ৰঘুনাথজী মন্দিৰ সজোৱা হৈছিল। এই মন্দিৰটোৱে ভগবান ৰামৰ অসংখ্য ভক্তক আকৰ্ষণ কৰে।

তালৈ কেনেকৈ যাবা ?

কুলুৰ পৰা ৪৫ কি. মিটাৰ দূৰত মনিকৰণ অৱস্থিত। তালৈ মাত্ৰ স্থলপথেৰেহে যাব পাৰি। একেবাৰে ওচৰৰ বিমানকোঠ হৈছে ভূন্টাৰ (কুলু), ৩৫ কি. মি. দুৰত।

মিস্কিনৰ সৌভাগ্য

বহুদিন আগৰ কথা । পাৰস্য দেশত মিস্কিন নামৰ এজন খৰিকটীয়া আছিল । তেওঁ খুব কঠোৰ পৰিশ্ৰম কৰিছিল । তথাপিও নিজৰ পত্নী আৰু একমাত্ৰ কন্যা য়াচ্মিনক পেট ভৰাই খুৱাব নোৱাৰিছিল । বহু কষ্টৰ মাজেৰে তেওঁ পৰিয়ালটো চলাব লগা হৈছিল।

এদিনা দুপৰীয়া মিস্কিনৰ ছোৱালী য়াচ্মিন অকলশৰে বহি আছিল । তাইৰ খুব ভোক লাগিছিল । সেইসময়তে ওচৰৰ মানুহঘৰৰ পৰা মাংস ৰন্ধাৰ গোন্ধ আহিছিল । সেই গোন্ধ পাই তাইৰ মুখত পানী আহি গৈছিল। তাই ভাবিলে খাবৰ সময়ত মই যদি সিহঁতৰ ঘৰলৈ যাওঁ নিশ্চয় মোকো মাংস খাব দিব । তাই নিজৰ মনক থমাব নোৱাৰি ঠিক খাবৰ সময়ত সিহঁতৰ ঘৰৰ দুৱাৰৰ কাষলৈ গৈ কবলৈ ধৰিলে "চৌকা জ্বলাব লাগে, মোক অকনমান জুই দিবা নেকি ?" সেই গৰাকীনীয়ে অসন্তুষ্ট মনেৰে জ্বলি থকা খৰি এডাল দি তাইক একো নোকোৱাকৈ গুচি গ'ল । য়াচ্মিনে মনত

দুখ পালে যদিও তাইৰ ইচ্ছা কিন্তু কমা নাছিল। সেয়েহে কিছুসময় পাছত তাই আকৌ সিহঁতৰ দুৱাৰত টুকুৰীয়াই কব ধৰিলে, "আপুনি দিয়া খৰি ডালেৰে জুই জ্বলাব নোৱাৰিলো, বতাহৰ বাবে নুমাই গ'ল । দয়া কৰি আকৌ অলপ জুই দিবনে ।"

এইবৰে মালিকনী ওলাই আহিল আৰু কলে, "তুমি এইটোও এতিয়াহে জানিলানেকি সে জুইক নুমাই যাব দিব নালাগে ? জুই খুব পৱিত্ৰ বস্তু । মই ভালদৰে জানো, তুমি জুইৰ বাবে অহা নাই । আচলতে আমি যি খাইছো. তুমিও সেই খাবলৈ বিচাৰিছা ।" এইবুলি কৈ জ্বলি থকা খৰি এডাল তাইক দি দুৱাৰখন জোৰেৰে বন্ধ কৰি দিলে ।

তেখেতৰ কথাত য়াচ্মিন খুব অনুতপ্ত হ'ল । সেই ব্যৱহাৰত তাই বৰ লজ্জিত হ'ল। জধলি দেউতাক উভতি আহি তাই মন মাৰি থকাৰ কাৰণ সুধিলে । য়াচ্মিনে দেউতাকক সকলো কথা কলে, আৰু জোৰে জোৰে কান্দিব ধৰিলে ।

"মাজনী, তুমি নাকান্দিবা । কালি বহুত খৰি কাটিম আৰু বিক্ৰী কৰি বহুত টকা আনিম । মই তোমাৰ বাবে মাংসলৈ আহিম আৰু মায়ে তোমাক বনাই দিব," এইবুলি কৈ বাপেকে তাইক শান্তনা দিলে ।

পিছদিনাখন মিস্কিন ৰাতিপুৱা সোনকালে উঠিলে আৰু হাবিলৈ গ'ল । কিন্তু সিদিনা

এডালো খৰি নাপালে । বনজুইৰ বাবে গোটেই হাবিখনেই পুৰিবলৈ ধৰিছে । খালী হাতে তেওঁ ঘৰলৈ উভতি আহিল । ৰাতি আটায়ে ভাতৰ মাৰ খাই শুই থাকিল ।

হাবিৰ জুই নুমাওতে প্ৰায় চাৰিদিনমান লাগিল । মিস্কিনেও সিদিনা যিকোনো প্ৰকাৰে খৰি গোটাব বুলি ঠিৰাং কৰিলে । তেওঁ হাবিৰ মাজত বহি থাকিল । গধূলী হব ধৰিলে । এডালো খৰি তেওঁ নাপালে । ঘৰত তেওঁৰ পত্নী আৰু ছোৱালীয়ে তেওঁ লৈ অপেক্ষা কৰি থকা বুলি জানিব পাৰিছিল । সিহঁতৰ কথা মনলৈ অহাত তেওঁ কান্দিব ধৰিলে ।

সেই সময়তে কেইজনমান দিব্যপুৰুষ আকাশত বিচৰণ কৰি ফুৰিছিল । সিহঁতৰ মাজৰে এজন আছিল আজাদ । তেওঁ বৰ দয়ালু আছিল । তেওঁ মিস্কিনৰ সন্মুখত প্ৰকট হ'ল আৰু কলে, "তুমি কিয় কান্দিছা ? তোমাৰ সন্মুখত এনে কি বিপদ আহিছে ?"

মিস্কিনে তেওঁৰ দুখভৰা কাহিনী শুনালে আৰু কলে, "মোৰ ছোৱালীজনীক পেট ভৰাই খুৱাবলৈ মোৰ সামৰ্থ নাই । আপুনিয়েই কওক, মই কিয় জীয়াই আছো ?"

আজাদে তৎক্ষণাত এমুঠি সৰিয়হ লৈ মিস্কিনৰ হাতত দিলে আৰু কলে, "ইয়াক সাৱধানেৰে লুকুৱাই থবা । তোমাৰ মঙ্গল হব । যেতিয়া তোমাৰ জীৱন সুখৰ হব তেতিয়া এই কথা আনক কবা । মোৰ নামত বুটমাহ, ফল-মূল আগবঢ়াবা আৰু প্ৰসাদ স্বৰূপে সেইবোৰ ভক্তৰ মাজত বিলাই দিবা । অসহায় লোকক সহায় কৰিবা আৰু আৰামেৰে নিজৰ জীৱন কটাবা ।" এইবুলি কৈ তেওঁ অন্তৰ্ধান হৈ গ'ল ।

মিস্কিনে খুব সাৱধানেৰে সাৰিয়হবোৰ ঘৰলৈ লৈ আহিলে আৰু এটাকোণত ৰাখিলে । ৰাতিপুৱা উঠি তেওঁ দেখিলে যে সৰিয়হ ৰখা ঠাইখিনি মনি মুকুতা, মানিকেৰে ভৰি আছে । মিস্কিন আচৰিত হৈ পৰিল । তেওঁ আঠুকাঢ়ি আজাদক স্মৰণ কৰিলে । তাৰ পাছত পত্নী আৰু কন্যাক সকলো কথা কলে ।

ইয়াৰ পাছত মিস্কিনে এটা মনি লৈ ব্ৰঞ্জবেপাৰীৰ ওচৰলৈ গ'ল । মণিটো দেখি বেপাৰীজনৰ চকু আচৰ্য্যৰে ভৰি পৰিল । তেওঁ মণিটোৰ বহুত মূল্য মিস্কিনক দিলে । ধনৰ টোপোলা দেখি মিস্কিনৰ মুখেৰে এটাও শব্দ নোলাল ।

তাৰ পৰা মিস্কিন পোনে পোনে এখন দোকানলৈ গ'ল আৰু তাৰ পৰা বুট, মাহ, ফলমূল আদি কিনিলে । মনতে দিব্য-

পুৰুষজনক স্মৰণ কৰিলে আৰু তেওঁ কৰা সহায়ৰ শলাগ ললে । তাৰ পাছত মানুহৰ মাজত প্ৰসাদ ভগাই দিলে ।

সিদিনা দুপৰীয়া সিহঁতৰ ঘৰত নানা তৰহৰ আহাৰ তৈয়াৰ কৰিছিল, যিবোৰ য়াচ্‌মিনৰ্‌ খুব ভাল লাগিছিল । আটায়ে তৃপ্তিৰে ভোজন কৰিছিল ।

খুৱ সোনকালেই মিস্কিনৰ অৱস্থাৰ পৰিবৰ্তন হৈছিল । এতিয়া তেওঁৰ জীৱনত একোৰে অভাৱ নাছিল । দিব্যপুৰুষৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা আৰু ভক্তি দিনে দিনে বাঢ়ি যাব ধৰিলে । তেওঁ সদায় আজাদক প্ৰাৰ্থনা কৰিছিল আৰু তেওঁৰ সহায়ৰ কথা সকলোৱে আগত কৈছিল । প্ৰসাদ স্বৰূপে ফলমূল মানুহৰ মাজত ভগাই দিছিল . যিয়ে তেওঁৰ পৰা সহায় বিচাৰিছিল, মিস্কিনে সহায় কৰিছিল ।

কিছুদিন পাছত তেওঁ জীয়েকক ওচৰলৈ মাতি আনি কলে, "আইজনী মোৰ তীৰ্থ যাত্ৰা কৰিবৰ মন গৈছে । অহাকালিয়েই ওলাম । মই উভতি নহালৈকে সদায় দিব্যপুৰুষক তুমি প্ৰাৰ্থনা কৰিবা । তেওঁলৈ আমি যিবোৰ বস্তু আগবঢ়াও সেই আটাইবোৰ মানুহৰ মাজত ভগাই দিবা । এই দায়িত্ব মই তোমাৰ ওপৰত দিলো ।"

"হববাৰু দেউতা । আপুনি চিন্তা নকৰাকে উভতি আহক ।" য়াচ্‌মিনে কলে । কিন্তু লাহে লাহে য়াচ্‌মিনৰ ভাৱনা চিন্তা, ধৰণ কৰণত পৰিবৰ্তন আহিব ধৰিলে । নগৰৰ ধনীমানুহৰ ছোৱালীৰ লগত তাইৰ বন্ধুত্ব গঢ়ি উঠিল । বাদশাহৰ পুত্ৰৰ লগত তাইৰ চিনাকী হ'ল । সিহঁতৰ মাজত বন্ধুত্ব হ'ল । কেতিয়াবা কেতিয়াবা দুয়ো বাহিৰলৈ ফুৰিবও গ'ল । সেইসময়ত তাই দিব্যপুৰুষক পাহৰি গ'ল, যাৰ ফলত সিহঁতৰ আজি এই উন্নতি । দেউতাকে তাইক কৈ যোৱা সকলো কথা তাই পাহৰি গ'ল ।

এদিনাখন য়াচ্‌মিনে ৰাজকুমাৰৰ লগত সিহঁতৰ বাগিছাত ফুৰি আহিল । সিহঁতে তাত এটা সুন্দৰ সৰোবৰ দেখিবলৈ পালে । ৰাজকুমাৰে কলে, "ব'লা, কিছুসময় আমি সৰোবৰত সাঁতুৰি গা ধুই আহো ।"

য়াচ্‌মিনে কলে, "মই সাতুৰিব নাজানো। তুমি গাধুই আহা । মই কাষতে বহি থাকিম । এইবুলি কৈ তাই এজোপা গছৰ তলত বহি থাকিল ।

ৰাজকুমাৰে নিজৰ অলংকাৰবোৰ খুলি

পাৰত থলে আৰু য়াচ্‌মিনক চাবলৈ কৈ সৰোবৰত নামিলে ।

সেইসময়ত খুব শান্ত বতাহ বলি আছিল। ঠাণ্ডা বতাহ লাগি য়াচ্‌মিনৰ টোপনি আহিছিল । সেই সময়ত ওপৰেৰে এটা চৰাই উৰি আহি ৰাজকুমাৰৰ কণ্ঠহাৰডাল লৈ গ'ল। য়াচ্‌মিনে গমেই নাপালে ।

গাধুই ৰাজকুমাৰ যেতিয়া পাৰলৈ আহিলে দেখিলে যে তাত তেওঁৰ কণ্ঠহাৰডাল নাই । তেওঁ চিন্তিত হৈ পৰিল । তেওঁ খঙেৰে সুধিলে, "য়াচ্‌মিন, মই ভাৱিবই পৰা নাছিলো যে তুমি ইমান ঘৃণনীয় কাম কৰিব পাৰা । য়াচ্‌মিনে তাই একো নাজানো বুলি কলে, কিন্তু তাইৰ কথা ৰাজকুমাৰে বিশ্বাস নকৰিলে । তেওঁ দেউতাকৰ ওচৰলৈ গৈ য়াচ্‌মিনৰ বিৰুদ্ধে অভিযোগ কৰিলে । ফলস্বৰূপে য়াচ্‌মিন আৰু তাইৰ মাকক জেলত বন্দী কৰি থলে ।

তীৰ্থযাত্ৰাৰ পৰা উভতি অহাৰ পাছত ওচৰ-চুবুৰীয়াৰ মানুহবোৰে মিস্কিনক গোটেই ঘটনাটো বিবৰি কলে । মিস্কিন দৌৰি গৈ বাদ্‌শাহৰ ওচৰ পালে । তেওঁ বাদ্‌শাহক মিনতি কৰিলে পত্নী আৰু জীয়েকৰ সলনি তেওঁক বন্দী কৰিবলৈ । তেওঁ বিচৰামতে বাদ্‌শাহেও তাকেই কৰিলে ।

মিস্কিনক শিকলিৰে খুঁটা এটাত বান্ধি থলে। সেইদিনা ৰাতি তেওঁ দিব্যপুৰুষক আৰাধনা কৰিলে । তেতিয়া আজাদ উপস্থিত হৈ কলে, "উপকাৰ কেতিয়াও পাহৰি যাব নালাগে, পাহৰাটো এটা দোষ আৰু এইটো তুমি ডাঙৰ ভুল কৰিছা ।"

"মোৰ নিৰপৰাধী ছোৱালীজনীয়ে এই ভুল কৰিছে । ইয়াৰ বাবে তাই শাস্তিও ভুগিছে। আমাক ক্ষমা কৰক, আমাক দয়া কৰক আৰু এই বিপদৰ পৰা উদ্ধাৰ পোৱাৰ পথ দেখুৱাওক।" এইবুলি মিস্কিনে কাকুতি কৰিলে ।

এই কথাত দিব্যপুৰুষজনে তেওঁৰ ওপৰত কৃপা কৰি কলে, "ৰাতিপুৱা হোৱাৰ লগে লগে এই শিকলি চিঙি যাব । খুঁটাটোৰ কাষত ধন দেখিব পাবা । সেই ধনেৰে ফলমূল, বুটমাহ আদি আনি মানুহৰ মাজত প্ৰসাদ ৰূপে ভগাই দিবা ; দেখিবা তোমাৰ বিপদ নিজে নিজে আঁতৰি গৈছে ।" এইবুলি কৈ দিব্যপুৰুষ অন্তৰ্ধান হ'ল ।

গোটেই ৰাতিটো মিস্কিনৰ টোপনি নাহিল। ৰাতিপুৱা হোৱাৰ লগে লগে দিব্যপুৰুষে কোৱা মতে শিকলি ডাল চিঙি গ'ল আৰু খুঁটাটোৰ কাষত ধন দেখিবলৈ পালে ।



ধনলৈ তেওঁ জেলৰ দুৱাৰেৰে বাহিৰলৈ ভুমুকি মাৰি চালে । বাটেৰে গৈ থকা মানুহ এজনক তেওঁ মাতিলে আৰু কলে, “বন্ধু এই টকাৰে ফলমূল আৰু বুটমাহ অলপ মোক কিনি আনি দিবানে ?”

মানুহজন সেই সময়ত খুব ব্যস্ত আছিল । কাৰণ তেওঁ জানিব পাৰিছিল যে তেওঁৰ পুতেকৰ অৱস্থা ভাল নহয় আৰু যিকোনো সময়ত মৰিব পাৰে । কিন্তু মিস্কিনৰ সৰল কথাই তেওঁৰ মন চুই গৈছিল । তেওঁ নিজৰ কথা পাহৰি সেই টকাৰে গোটেইখিনি বস্তু লৈ আহিল । মিস্কিনে নিজৰ কাহিনী তেওঁক কলে আৰু ভগৱানক প্ৰাৰ্থনা কৰি তেওঁক সেই প্ৰসাদ দিলে ।

সেই বাটৰুৱা মানুহজন ঘৰ আহি দেখে যে তেওঁৰ ল'ৰা একেবাৰে সুস্থ হৈ হাঁহি আছে। তেতিয়াৰে পৰা তেওঁও দিব্যপুৰুষক আৰাধনা কৰিব ধৰিলে ।

দিব্যপুৰুষৰ প্ৰতি মিস্কিনৰ ভক্তি বাঢ়ি যোৱাৰ লগে লগে তেওঁৰ ভাগ্যৰো পৰিবৰ্তন হব ধৰিল । এদিন বাদ্‌শাহে তেওঁৰ পৰিয়ালৰ সদস্যবোৰৰ লগত যেতিয়া বাগিছাত ফুৰি আছিল তেতিয়া ওপৰেৰে উৰি যোৱা চৰাই এটাৰ মুখৰ পৰা কণ্ঠহাৰডাল তলত পৰি গ'ল। ৰাজকুমাৰে সেই হাৰডাল দেখি কলে, “দেউতা মোৰ কণ্ঠহাৰ ডাল পালো, মই মিছাতে য়াচ্‌মিনক এইহাৰডাল চোৰ কৰা বুলি কৈছিলো ।”

বাদ্‌শাহেও এই কথাত বহুত দুখ প্ৰকাশ কৰিলে আৰু কলে, “মইও মিছাতে মিস্কিন আৰু তেওঁৰ পৰিয়ালক ইমান শাস্তি দিলো । তেওঁ তৎক্ষণাত মিস্কিনক জেলৰ পৰা মুক্তি দিলে ।

বাদ্‌শাহে মিস্কিনক কলে, “মোক ক্ষমা কৰি দিবা । মোৰ এই ভুল শুধৰোৱাৰ এটায়ে উপায় আছে । মোৰ ল'ৰাৰ লগত তোমাৰ ছোৱালীৰ বিয়া । তোমাৰ দৰে ভক্তৰ পৰিয়ালৰ লগত সম্বন্ধ স্থাপন কৰাতো মোৰ ভাগ্য নহয়নে বাৰু !”

মিস্কিন খুব আনন্দিত হ'ল । খুব ধুমধামেৰে ৰাজকুমাৰ আৰু য়াচ্‌মিনৰ বিয়াহৈ গ'ল । মিস্কিনে জানিছিল যে এই সকলোবোৰ সেই দিব্যপুৰুষৰেই লীলা ।

উত্তম কি কি ?

স্বৰ্ণগিৰি আৰু ভূৱনগিৰি যদিও ওচৰ-চুবুৰীয়া ৰাজ্য আছিল, কিন্তু পানীৰ ক্ষেত্ৰত দুয়োখন ৰাজ্যৰ মাজত মতানৈক্য আছিল। সৰু হলেও স্বৰ্ণগিৰিত তিনিটা নদী আছিল। মাটিও খুব সাৰুৱা আছিল । সেয়েহে কৃষকসকলে তাত বিভিন্ন ফচল ৰুইছিল ।

কিন্তু ভূৱণগিৰি ইয়াৰ সম্পূৰ্ণ বিপৰীত আছিল । সেই ৰাজ্যত কোনো নদী নাছিল । সময়ত বৰষুণ নপৰিছিল । সেই ৰাজ্যৰ মানুহে প্ৰায়ে আকালৰ সন্মুখীন হব লগা হৈছিল । কিন্তু সেই ৰাজ্যৰ ৰজা বিমলাদিত্য সমৰ্থ ৰজা আছিল । তেওঁৰ একমাত্ৰ লক্ষ আছিল প্ৰজা পালন । তেওঁৰ শাসন কালত পৰিশ্ৰমী প্ৰজাসকলে দোপতদোপে উন্নতি কৰিছিল ।

সেই সময়ত স্বৰ্ণগিৰিৰ ৰাজপণ্ডিত কমলনাথ ভূৱণগিৰিৰ ৰজাক লগ ধৰিবলৈ আহিলে আৰু কলে ",মহাৰাজ, অকল সা-সম্পত্তিই নহয়, আমাৰ স্বৰ্ণগিৰি সকলো কলাৰেই কেন্দ্ৰ ।" ৰজাই হাঁহিমাৰি কলে, "খুব আনন্দৰ কথা ।" "আমাৰ ৰজাই আমাৰ উপদেশবোৰ কাৰ্য্যত প্ৰয়োগ কৰে, সেয়ে দেৱভাষা সংস্কৃত সৰ্বসাধাৰণৰ ভাষা হৈ গৈছে । আমাৰ ৰাজ্যৰ প্ৰজাসকলৰ বুদ্ধি আৰু মেধা শক্তি অদ্ভুত ।" এইদৰে কমলনাথে নিজৰ ৰাজ্যৰ প্ৰসংশা কৰি যাব ধৰিলে ।

কিন্তু ইমান শুনাৰ পাছতো ৰজা মনে মনে থাকিল । তেতিয়া সেইৰাজ্যৰ ৰাজসভাৰ কবি কুমুদে আগবাঢ়ি আহি কলে, "আৰ্য্য, হব পাৰে, আপোনাৰ ৰাজ্যৰ দৰে সা সম্পত্তি বা, কলাসংস্কৃতি এই ৰাজ্যত নাই । কিন্তু আপুনি এইটো ভবা ভুল হব যে আপোনালোকৰ প্ৰজাৰ দৰে বুদ্ধি আৰু মেধাশক্তি আন কাৰোয়ে নাই । আমাৰ প্ৰজাসকলো কিন্তু খুবেই বুদ্ধিমান ।"

"কি আপুনি এইটো প্ৰমান কৰিব পাৰিব নেকি ?" কমলনাথে দৃঢ়তাৰে সুধিলে ।

"বিচাৰে যদি আপুনি নিজেই ইয়াৰ প্ৰমান কৰিব পাৰে । আপুনি আমাৰ গাঁৱৰ মানুহৰ

লগতেই এই পৰীক্ষা আৰম্ভ কৰিব পাৰে,” কুমুদে আত্মবিশ্বাসেৰে কলে ।

“ঠিক আছে, এই পৰীক্ষা এতিয়াই লম।” এইবুলি কৈ কমলনাথ বেগেৰে ৰাজসভাৰ পৰা বাহিৰলৈ ওলাই আহিল । পিছদিনাখন তেওঁ নগৰৰ ওচৰৰ সৰু গাওঁ এখনলৈ গ'ল । তেওঁ দেখিলে পথাৰত এজন লৰাই গৰু চৰাই আছে । কমলনাথে তাক সুধিলে, “তোমাৰ নাম কি ? কি কৰিছা তুমি?”

“মই ৰংগা । আপুনি দেখা নাই নে মই এই বাঁহ ডালেৰে আম পাৰি আছো ।” ল'ৰাজনে কলে ।

“ইমান প্ৰখৰ ৰ'দত এই কাম কৰাৰ কি দৰকাৰ ? কিবা চাকৰিচোন কৰিব পাৰা ? কমলনাথে কলে ।

“মই লিখা পঢ়া কৰিব নাজানো । মোক কোনে চাকৰি দিব ? চাকৰি কৰিব সকলোৱে চহৰলৈ গলে ইয়াত এইবোৰ কাম কোনে কৰিব ।” ৰংগাই কলে ।

পণ্ডিতে হাঁহিমাৰি কলে, “ৰংগা, মোৰ তিনিটা প্ৰশ্ন আছে । তুমি এই প্ৰশ্নৰ সঠিক উত্তৰ দিব পাৰিবানে ?”

“আপোনাৰ দৰে মহান ব্যক্তিৰ প্ৰশ্নৰ উত্তৰ মই কেনেকে দিব পাৰিম । তথাপিও চেষ্টা কৰি চাম ।” ৰংগাই কলে ।

“ফুলৰ ভিতৰত কোনবিধ ফুল উত্তম ?” পণ্ডিতে সুধিলে ।

“পদুম ফুল,” ৰংগাই তৎক্ষণাত উত্তৰ দিলে ।

“তুমি ঠিক উত্তৰ দিছা । পদুম ফুল লক্ষ্মী সৰস্বতীৰ আসন । এতিয়া কোৱাচোন, কি পানী উত্তম ?” পণ্ডিতে দ্বিতীয় প্ৰশ্ন কৰিলে।

“জলপ্ৰপাতৰ পানী,” ৰংগাই উত্তৰ দিলে।

“তোমাৰ এইটো উত্তৰো শুদ্ধ । এই সেই পবিত্ৰ পানী, যি পানী শিৱৰ জটাৰ পৰা প্ৰবাহিত হৈ পৃথিৱীত পৰিছে ।” পণ্ডিতে ৰংগাৰ পিঠিত থপৰিয়াই কলে, “পোহৰৰ ভিতৰত কোনটো পোহৰ অতি উত্তম ?”

“সূৰ্য্যৰ পোহৰ,” ৰংগাই কলে । “সকলো পোহৰৰ মূল উৎস হ'ল ভগৱান সূৰ্য্যৰ দিব্য কিৰণ । সেই পোহৰেই উত্তম আৰু অদ্বিতীয় ।” তোমাৰ বুদ্ধিৰ প্ৰসংশা নকৰাকে থাকিব নোৱাৰিলো । পণ্ডিত খুব আনন্দিত হ'ল আৰু নিজৰ আঙুলীৰ পৰা আঙুঠিটো খুলি তাক দিব খুজিলে ।

ৰংগাই এইটো কৰিব বাধা দিলে আৰু কলে, “ৰবচোন, আপুনি যি প্ৰশ্ন কৰিলে,

ইয়াৰ উত্তৰ সকলোৱে দিব পাৰিব । ইয়াৰ বাবে পুৰস্কাৰ দিয়াৰ কি দৰকাৰ ?"

এইবাৰ পণ্ডিতে আচৰিত ভাবত সুধিলে, "তাৰমানে তুমি এনেকুৱা প্ৰশ্নৰো উত্তৰ দিব পাৰিবা যি প্ৰশ্নৰ উত্তৰ সকলো মানুহে নাজানে ?" চেষ্টা কৰিম । ৰংগাই কলে । "তেতিয়াহলে কোৱা, মইও জানিব বিচাৰিছো ।" পণ্ডিতে কলে ।

"উত্তম ফুল পদুম নহয়, কপাহৰ ফুল হৈছে উত্তম । পদুম দেখিবলৈ সঁচাকৈয়ে ধুনীয়া কিন্তু সন্ধিয়া হোৱাৰ লগে লগে মৰহি যায় । কিন্তু কপাহৰ ফুল, গুটিৰ পৰা ফল, আৰু ফলৰ পৰা কপাহহে কাপোৰ বনোৱাৰ বাবে কামত আহে । সেয়েহে কপাহৰ ফুলেই উত্তম ফুল। সেইদৰে মৰুভূমিৰ পানী হৈছে উত্তম পানী । কাৰণ সেই পানীয়ে তৃষ্ণা দূৰ কৰে । তৃষ্ণাতুৰজনক জীয়াই ৰাখে । এতিয়া আহিল পোহৰৰ কথালৈ । মানুহৰ চকুত যি কৰুণা, দয়া নিহিত হৈ থাকে, সিয়েই উত্তম পোহৰ। কাৰণ সি দুখীয়াক সহায় কৰে," ৰংগাই কলে ।

কমলনাথে ৰংগাৰ অসাধাৰণ প্ৰতিভা দেখি স্তম্ভিত হৈ গ'ল । তেওঁ ৰংগাৰ লগত মৰমেৰে আলিঙ্গন কৰিলে । ইমানদিনে তেওঁ ভাবিছিল তেওঁৰ ৰাজ্যৰ মানুহবোৰহে বুদ্ধিমান আৰু সিহঁতৰ সমান কোনো নাই । এতিয়া তেওঁৰ সেই অহংভাৱ দূৰ হ'ল । এফালে এই ৰাজ্যৰ মানুহে একেলগে প্ৰকৃতিৰ প্ৰতিকূল পৰিস্থিতিৰ মুখামুখি হব লগা হৈছে আৰু আনফালে প্ৰগতিও কৰিছে বিদ্যা সম্বন্ধীও বিষয়ত । সেই ৰজাৰ প্ৰসংশা নকৰাকে থাকিব নোৱাৰি, যিজন ৰজাই প্ৰজাসকলক সজ পথ দেখুৱাইছে আৰু তেওঁলোকক উন্নতিৰ ফালে আগুৱাই লৈ গৈছে । মনে মনেত তেওঁ ৰজা বিমলাদিত্যৰ প্ৰসংশা কৰি স্বৰ্ণগিৰীলৈ উভতি আহিল ।

চান্দমামাৰ নিবেদন
অজেয় গৰুড়
23
চিত্ৰ-পাণি
নৰেন্দ্ৰদেৱ আৰু তেওঁৰ পুত্ৰ ৰবীন্দ্ৰদেৱক ৰাজদ্ৰোহী ঘোষণা কৰাৰ পিছত আদিত্যই তেওঁলোকক ধৰিবলৈ গ'ল। সৰ্পদেশত গৈ উপস্থিত হোৱাৰ পিছত এদল নিজৰ মানুহক সেই স্থান পৰিদৰ্শন কৰিবলৈ পঠালে। তেওঁলোকে এহাল আদিবাসী দম্পতিক ধৰি আনিলে। আদিত্যই তেওঁলোকৰ পৰা এই ৰহস্য উদ্ঘাটন কৰিলে যে সেই দম্পতিক পূৰ্বজনৰ নামো আদিত্য আৰু তান্ত্ৰিকে আদিত্যকে বিচাৰি আছে। সেনাপতি আৰু তেওঁৰ মানুহবোৰক পথ দেখুৱাৰ কাম আদিবাসী প্ৰধানেই কৰিছে। তেওঁলোকে নদী পাৰে হোৱাৰ কাৰণে নাৱত উঠিছে।
নৰেন্দ্ৰদেৱ আৰু তেওঁৰ মানুহবোৰে নাৱত উঠি সকলো আনন্দ আৰু আৰাম উপভোগ কৰিলে। তেওঁলোক খোৱা পিয়াৰ আনন্দত মতলীয়া হৈ পৰিলে।
আদিত্য আমাৰ কাৰণে এক ডাঙৰ চিকাৰ হব।
যদি এই ৬০তম বলিদানটো দিব পৰা যায় তেনেহলে তান্ত্ৰিক এক ডাঙৰ শক্তিৰ অধিকাৰী হব।
জোনাক নিশা, শীতল বতাহৰ লগে লগে নাবিকসকলে গুণগুণাই আছে। যাত্ৰীসকল শীঘ্ৰে গভীৰ নিদ্ৰাত নিমগ্ন হ'ল।
ৰাতিপুৱালৈ আমি নদীৰ পাৰ পাম গৈ।

ৰাতি পুৱাৰ লগে লগে আদিত্যৰ কমাণ্ডোৱে নাও দেখিবলৈ পালে । নাবিকসকলে আদিবাসী প্ৰধানক সাৱধান কৰি দিয়াৰ আগতে নাৱৰ ওপৰত গুলি বৰষিবলৈ ধৰিলে । তাৰ পাছতে তীৰৰ বৰ্ষণ।
প্ৰধানৰ নাও তাতে আছে ।
নাবিক ক'ত ? তেওঁৰ আঘাত লাগিছে নেকি ?
সেনাপতিক ৰক্ষা কৰা ।
নৰেন্দ্ৰদেৱ আৰু তেওঁৰ মানুহবোৰে পলমকৈ সাৰ পালে । নাবিকে গুলিৰ পৰা ৰক্ষা ওপৰত ঘঁৰিয়ালে আক্ৰমণ কৰিলে ।
জুইৰ গুলি? কোনে এইবোৰ মাৰিছে ?
মহাশয়, মোক প্ৰহাৰ কৰিছে । মোক ৰক্ষা কৰা ।
তোমালোকৰ নাবিক ক'ত ?
ঘঁৰিয়াল ! মোৰ শেষ দিন !

নৰেন্দ্ৰদেৱ আৰু আদিবাসী প্ৰধান হতভম্ব হৈ গ'ল। নাবিকে নাওখন নিয়ন্ত্ৰনত ৰাখিবলৈ আৰু গুলিৰ পৰা ৰক্ষা পাবলৈ অসমৰ্থ হ'ল। নাওখন এটাত খুন্দামাৰি ওলটি গ'ল।
প্ৰধান! এতিয়া আমি কি কৰো?
সেনাপতি! আমি কেৱল নদীত জঁপিয়াই পৰি সাঁতুৰি পাৰত উঠিহে ৰক্ষা পাব পাৰিম।
আঃ! ঘঁৰিয়াল! মোৰ ভৰি! মোৰ ভৰিখন গ'ল!
উবুৰি হোৱা নাওখন নদীৰ সোঁতত কাষলৈকে উটি গ'ল।
সেনাপতি! মই আহি গলো। নাওখন ধৰা।


আদিবাসী প্ৰধানৰ দেহ ঘঁৰিয়ালে টুকুৰা-টুকৰ কৰি দিলে । শৰীৰ কিছু অংশ নদীত ডুব গ'ল । পানীবোৰ তেজৰ দৰে ৰঙা হ'ল ।
ঈশ্বৰক ধন্যবাদ ! আমি তেওঁক বচাব পাৰিলো ।
তেওঁৰ এখন ভৰি নাই । এখন হাতো ।
নৰেন্দ্ৰদেৱৰ চেতনা আহিল আৰু অনুশোচনা কৰিবলৈ ধৰিলে।
তেওঁ অচেতন ।
মই পাপ কৰিছো । মই ৰাজদ্ৰোহী । মই আৰু বেচিদিন জীয়াই থাকিবলৈ নিবিচাৰো । দয়া কৰি মোৰ প্ৰাণ লোৱা ।
এওঁক নিজৰ শিবিৰলৈ লৈ বলা আৰু এওঁক চোৱা-চিতা কৰিবা । যেতিয়ালৈকে তেওঁলোক আহি নাপায়, আমি ইয়াতে প্ৰতীক্ষা কৰি থাকিম ।
বিদ্ৰোহী আদিবাসীসকল অগ্নিকুণ্ডৰ চাৰিও-ফালে একত্ৰ হ'ল আৰু নাচ-গান আৰম্ভ কৰি দিলে ।
ক্ৰমশঃ

খেলিমেলি ধেমালি

টিঙ্কু টেডীয়ে তাৰ হাতত এথোপা বেলুন লৈ আছে। তুমি গনিব পাৰিবানে সি কিমানটা ৰঙৰ বেলুন লৈছে ?

পানীৰ পৰা কোনে জপিয়াইছে? বিন্দুবোৰ লগলগাই চিনাক্ত কৰা !





তুমি সৰু মৰমলগা চৰাই দেখিছানে ? বোৰ্ডখনত এটা চৰাইৰ ছবিৰ অংশ আছে। এতিয়া তুমি অংশবোৰ এটুকুৰা কাগজত আঁকি সম্পূৰ্ণ চৰাইটো কৰা।

আটাইকেইটা চৰাই দেখিবলৈ
একে । কিন্তু সিহঁতৰ এটা বেলেগ ।
কোনটো বাচি উলিওৱা ।
A
B
C
D
E
এন্দুৰ ৰনুয়ে বিস্কুট ভাল পায় ।
তাইৰ থালত বহুত বিস্কুট আছে
কোনখন প্লেতৰ বিস্কুটৰ লগত
তাইৰ হাতৰবিস্কুটখন মিলে কব
পাৰিবানে ?
1
2
3
4

বাক্যত প্ৰকাশ কৰা

ফটো নামকৰণ প্ৰতিযোগিতা



কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা।
ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা, ৮২, ডিফেন্স অফিচাৰ্চ কলোনী, একাডুথাঙ্গাল, চেন্নাই - ৬০০ ০৯৭.
এই মাহৰ ২০ তাৰিখ ৰ ভিতৰত উত্তৰ পাব লাগিব। বিজয়ী প্ৰতিযোগিক ১০০ টকা পুৰস্কাৰ দিয়া হব। পুৰস্কাৰ পাওঁতা জনৰ নাম অহা সংখ্যাত প্ৰকাশ কৰা হব!

অভিনন্দন

জানুৱাৰী সংখ্যাৰ পুৰস্কাৰ বিজয়ী :
নীভা তালুকদাৰ
মাৰফৎ. এ. তালুকদাৰ
পো: সৰভোগ (অসম)

বিজয়ী বাক্য

পুৰণি প্ৰথাৰে কৰিছে জ্ঞান অন্বেষণ
মাউচৰ টিপাতে কৰিব পাৰি জগতৰ সন্ধান।

খেলিমেলি ধেমালিৰ উত্তৰ (৬৪ পৃষ্ঠা)

টিঙ্কু টেডীয়ে লৈ আছে ৪টা মুগা, ৫টা ৰঙা, ৩টা হালধীয়া, ৩টা নীলা, ৩টা গোলাপী আৰু ১টা সেউজীয়া বেলুন।
D - চৰাইটো দেখিবলৈ বেলেগ।
ৰনু এন্দুৰৰ বিস্কুটখন ২ নম্বৰ প্লেটৰ লগত মিলে।

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 600 026 on behalf of Chandamama India Limited, No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097. Editor : Viswam



মাইচোৰ চন্দাল উড
বেবি চাবোন চন্দন আৰু
বাদাম তেলেৰে সমৃদ্ধ ।
ছালৰ কাৰণে এই
চাবোন খুব ভাল ।
চিন্তুৰ
পছন্দ
Baby
বুদ্ধিমান শিশুয়ে
সদায় মাইচোৰ চন্দল
বেবি চাবোন পছন্দ
কৰে ।
Mysore Sandal
Baby
Soap
মহীশূৰৰ চন্দনে
যোৱা ৮০ বছৰৰো
অধিক কাল তোমালোকৰ
ঘৰলৈ চন্দনৰ সুগন্ধ
কঢ়িয়াই লৈ আহিছে ।
Almond oil moisturiser and antiseptic soap.

CHANDAMAMA (Assamese) MARCH 2003 Registered No. TN/PMG(CCR)-588/03-05
Regd. with Registrar of Newspaper for India No. 30278/76 Licensed to post without prepayment No. 369/03-05
Foreign - WPP. No. 370/03-05

nutrine
KOKA NAKA
COOKIES

They always enjoy
Koka Naka !
They won a trip to
South Africa !!

Shivam Sanjay Wankhede
Nagpur


Dirishe, Chennai

NUTRINE
KOKA NAKA KHAO !
CRICKET
SOUTH AFRICA MEIN
DEKHO !!

Raghavachari Murali Karthik
Chennai


Y.Sai Thejovarshan
Hyderabad

Hearty
Congratulations
and
Best Wishes
to the winners from
Nutrine Koka Naka

Mukund Abhinav
Chennai

Suresh Gulati, Ghaziabad

The Real Coconut ... Enjoy

nutrine
India's largest selling sweets and toffees.